বঙ্গভাষাভাষী লোকে অসমীয়া ভাষা শিক্ষা কৰাৰ সুবিধাৰ্থে—

[অসমৰ স্কুলৰ ৪র্থ—৬ষ্ঠ মান শ্ৰেণীৰ শিক্ষাৰ্থীৰ উপযোগী কৰি লিখা]

অসমীয়া ভাষা পৰিচয়

[ব্যাকৰণ-ৰচনা-অনুবাদ]

লিখক

শ্ৰীদুৰ্গাশঙ্কৰ দেৱ শৰ্মা, বি-এ

শিক্ষক,

গোৱালপাৰা পি-আৰ গৱৰ্ণমেণ্ট উচ্চ-মাধ্যমিক বহুমুখী বিদ্যালয়।

Asamya Bhasa Parichay—(Assamese Grammar, Composition & Translation from Bengali to Assamese) Published by the author, Sri Durgasankar Dev Sarma, B A (Teacher, Assam School Service), Kamrup-Barkhala, Nalbari Assam First Publication—December, 1962 Copies—2000 Price—Rs 2 00

প্ৰথম সংস্কৰণ— ডিচেম্বৰ, ১৯৬২ ইং

মুদ্ৰাকৰ
শ্ৰীৰাধাৰমণ বছাক
শ্ৰীকান্ত প্ৰেছ প্ৰাইভেট লিমিটেড
৭৫, বৈঠকখানা ৰোড
কলিকতা-৯

| গ্ৰন্থকাৰৰ দ্বাৰা সৰ্ব্বস্বত্ব সংৰক্ষিত |

মূল্য— ২·০০ টকা

প্ৰাপ্তিস্থান ঃ—
শ্ৰীদুৰ্গাশঙ্কৰ দেৱ শৰ্মা
কামৰূপ-বৰখলা, পোঃ/গাওঁ।
নলবাৰী (অসম)

পবিচাযিকা

শ্রীযুক্ত দুর্গাশংকর দেব শর্ম্মার লেখা "অসমীয়া ভাষা পরিচয়" পুস্তকখানি আদ্যন্ত পড়িয়া খুব আনন্দিত হইয়াছি। বঙ্গভাষাভাষী ছাত্র-ছাত্রী এবং বয়স্কলোকদের অসমীয়া ভাষা শিক্ষা করিবার খুব সুবিধা হইবে। এই ধরণের পুস্তক খুব কমই লেখা হইয়াছে। ব্যাকরণের আলোচনা আধুনিক পদ্ধতিতে লেখা হইয়াছে। অসমীয়া ও বাংলা উভয় ভাষার প্রভেদ দেখান হইয়াছে—তাহাতে উভয় ভাষাভাষীরই কাজে লাগিবে। এই পুস্তকের বাংলা শব্দ, বাক্যগুলি ও অনুবাদ অংশটি ভাল করিয়া দেখিয়া দিয়াছি, রচনা বেশ উত্তমই হইয়াছে। এইরূপ পুস্তকের বহুল প্রচার আবশ্যক।

শ্রীদেবিদাস ভট্টাচার্য্য, এম্-এ
অধ্যাপক
সন্দিকৈ গার্ল'স্ কলেজ ও গৌহাটি বিশ্ববিদ্যালয়
২০-৮-৬১

নিবেদন

অসমত বঙলা ভাষাৰ মাধ্যমত চলা প্ৰায়ভাগ হাইস্কুলৰ নিম্নখাপৰ শ্ৰেণীত ওপৰঞ্চি (Additional) বিষয় হিচাপে 'অসমীয়া ভাষা শিকোৱাৰ ব্যৱস্থা আছে। সহজে অসমীয়া ভাষা শিকিব পৰা বিধৰ কিতাপৰ অভাৱত অনা-অসমীয়া বিশেষকৈ বঙলাভাষাভাষীলোকে অসমীয়া ভাষাৰ ব্যৱহাৰিক জ্ঞান লাভ কৰিবলৈ অসুবিধা পোৱা দেখা গৈছে। কাছাৰ জিলাৰ হাইস্কুলত শিক্ষকতা কৰাৰ সময়ত বঙলাভাষাভাষী শিক্ষাৰ্থীৰ উপযোগী অসমীয়া ব্যাকৰণ এখনৰ অভাৱ বৰকৈ অনুভৱ কৰা হৈছিল। বহুতো ছাত্ৰ ছাত্ৰীৰ উপৰিও শিলচৰ 'নৰ্মাল স্কুল আৰু অসম চৰকাৰৰ বিভাগীয়-পৰীক্ষাৰ্থী (Departmental Examinee) দুই এজনে বঙলা অৰ্থ থকা অসমীয়া কিতাপ বিচাৰি আমাৰ ওচৰলৈ মাজে সময়ে আহিছিল। স্কুলীয়া লৰা-ছোৱালী আৰু প্ৰাপ্তবয়স্ক অনেক লোকৰ অসমীয়া ভাষা শিকাৰ প্ৰতি আগ্ৰহ আৰু উৎসাহ দেখি সেইসকলৰ উদ্দেশ্য এই কিতাপখন যুগুত কৰা হৈছে।

অসমীয়া আৰু বঙলা ভাষাৰ লিপি শব্দ-প্ৰয়োগ, ৰচনা-পদ্ধতি আদিৰ মাজত কিছু সাদৃশ্য আছে। বঙলা ভাষাৰ দৰে অসমীয়া ভাষাৰ বাক্য-ৰচনাত প্ৰথমে কৰ্ত্তা, তাৰ পাচত কৰ্ম্ম আৰু শেষত ক্ৰিয়া ব্যৱহাৰ হয়। অসমীয়াত ব্যৱহৃত শব্দবোৰ প্ৰধানকৈ চাৰি শ্ৰেণীৰ—তৎসম (সংস্কৃত), তদ্ভৱ, দেশজ আৰু বিদেশী। নতুন পাঠকে সহজে বুজিব পৰাকৈ অসমীয়া শব্দৰ বঙলা-অৰ্থ দিয়া হৈছে। অতি প্ৰয়োজনীয় নিৰ্দ্দেশবোৰ পাদ-টীকাত (foot-note) বঙলা ভাষাৰ মাধ্যমত বুজোৱা হৈছে।

ভাষা শুদ্ধকৈ শিকাত ব্যাকৰণ-অধ্যয়নে সহায় কৰে, কিন্তু ব্যাকৰণৰ নিয়ম বেছিকৈ দিলে ন-শিকাৰুৱে টান পোৱাৰ সম্ভাৱনা। সেইবাবে শব্দ, কাৰক

প্ৰভৃতিৰ সাধাৰণ আভাস দিয়া হ'ল। শব্দবিধি, বৰ্ণবিধি, সমাস আদিৰ নিয়ম দুয়ো ভাষাত প্ৰায় একে ধৰণৰ। বঙলা ব্যাকৰণ জনা সকলৰ বাবে সেই নিয়মবোৰ ইয়াত আকৌ বহলাই দি কিতাপৰ কলেবৰ বৃদ্ধি কৰিব খোজা নাই। কিন্তু অসমীয়া আৰু বঙলা ব্যাকৰণৰ শব্দ-বিভক্তি, ক্ৰিয়া-বিভক্তি কৃৎ প্ৰত্যয়, তদ্ধিত প্ৰত্যয় আদিৰ ক্ষেত্ৰত কিছু অমিল আছে। গতিকে অসমীয়া শব্দৰূপ, ধাতুৰূপ প্ৰভৃতি বিশেষ মন কৰিব লগীয়া। দুয়ো ভাষাৰ নিয়মৰ প্ৰভেদখিনি শিকাওঁতে আৱশ্যক হোৱা ব্যাকৰণৰ বিশেষ প্ৰয়োজনীয় প্ৰাথমিক ভাগখিনি ইয়াত উল্লেখ কৰা হৈছে।

বঙলাভাষাভাষী শিক্ষাৰ্থীয়ে যাতে এই কিতাপৰ সহায়ত অসমীয়া ভাষাত শুদ্ধকৈ কথা-বতৰা পাতিবলৈ শিকিব পাৰে তালৈ লক্ষ্য কৰি ব্যাকৰণৰ যথাসম্ভৱ মিল ৰাখি মাজে মাজে অনুবাদ (বঙলা-অসমীয়া) দিয়া হৈছে। এটা ভাষাৰ পৰা আন এটা ভাষালৈ হুবহু অনুবাদ কৰিলে কোনো কোনো ক্ষেত্ৰত অৰ্থৰ বিকৃতিও হব পাৰে—যিহেতু প্ৰত্যেক ভাষাৰ ঠাঁচ (Idiom) বেলেগ বেলেগ। ঠাঁচ নষ্ট হলে ভাষাৰ সৌন্দৰ্য্য কমি যায়, অনুবাদ কৰোঁতে ঠাঁচলৈ লক্ষ্য ৰাখিব লাগে। কিতাপখন স্কুলৰ এম্-ই খাপৰ শিক্ষাৰ্থীসকলৰ উপযোগী পাঠ্য কৰিবৰ চেষ্টা কৰি লিখা হৈছে। ভুল ভ্ৰান্তি নোহোৱা কৰাৰ কাৰণে আপ্ৰাণ চেষ্টা কৰা হৈছে। এই বিষয়ত লিখকৰ প্ৰথম প্ৰচেষ্টা হিচাপে কিতাপখন যুগুত কৰোঁতে কিবা আসোঁৱাহ থাকি যাব পাৰে। সুধীসমাজে সেইবোৰ উদ্ধকিয়াই দিলে ভবিষ্যৎ সংস্কৰণত শুধৰাই দিবলৈ যত্ন কৰা হব। তদুপৰি বিশেষ যত্ন লোৱা স্বত্বেও ছাপাখানাৰ ভুলৰ হাত সাৰিব পৰা নগল, তাৰ বাবে ক্ষমা বিচৰা হৈছে।

এই কিতাপখনৰ পৰা শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু পঢ়ুৱৈ সমাজৰ অলপ উপকাৰ হলে মোৰ পৰিশ্ৰম সাৰ্থক হোৱা বুলি ভাবিম।

গ্ৰন্থকাৰ

শলাগনি

কৰিমগঞ্জ চৰকাৰী হাইস্কুলত 'অসমীয়া' বিষয়ৰ শিক্ষক হৈ থকা সময়ত কৰিমগঞ্জ নিবাসী শ্ৰদ্ধেয় শ্ৰীযুত নৰেন্দ্ৰ চন্দ্ৰ দেব, এম্‌-এছ ছি (শ্ৰীহট্টৰ মুৰাৰীচাঁদ কলেজৰ প্ৰাক্তন অধ্যাপক) মহাশয়ে কিতাপখন যুগুত কৰিবলৈ বিশেষ উদগনি দিছিল। সেই সময়ৰ—নামনি অসমৰ স্কুলসমূহৰ পৰিদৰ্শক, মোৰ শিক্ষাগুৰু শ্ৰীযুং দণ্ডেশ্বৰ গগৈ, এম এ আৰু অসম সাহিত্য সভাৰ সভাপতি শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা, এম-এ বি-এল, বি-টি দেৱে যথেষ্ট উৎসাহ আৰু পৰামৰ্শ দিছে। কটন কলেজৰ স স্কৃত বিভাগৰ প্ৰধান অধ্যাপক শ্ৰীযুত ৰজনীকান্ত দেৱ শৰ্মা, এম-এ সাহিত্য-পুৰাণ-শাস্ত্ৰীদেৱে কিতাপখন হাতেলিখা অৱস্থাত পঢ়ি চাই ভুল-ভ্ৰান্তি গুধৰাই মোক ভালেমান সহায় কৰিছে। তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা আগবঢ়ালে।।

সন্দিকৈ ছোৱালী কলেজ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত দেবিদাস ভট্টাচাৰ্য্য এম-এ (ট্ৰিপ্‌ল্‌) দেৱে দয়া কৰি কিতাপখন আদ্যন্ত পঢ়ি চাই বঙলা ভাগখিনিৰ ভুল-ভ্ৰান্তি সংশোধন কৰি দিয়াত তেখেতৰ প্ৰতি শ্ৰদ্ধা-পূৰ্ণ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।।

গুৱাহাটীৰ আৰ্য্যবিদ্যাপীঠ কলেজৰ অধ্যক্ষ শ্ৰীযুত গিৰিধৰ শৰ্মা, এম্‌-এ, ব্যাকৰণ-শাস্ত্ৰী গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ডক্টৰ প্ৰফুল্লদত্ত গোস্বামী, এম-এ, ডি-ফিল, বিশ্ববিদ্যালয়ৰ কোষাধ্যক্ষ শ্ৰীযুত কৈলাশ চন্দ্ৰ ভট্টাচাৰ্য্য, এম্‌-এ, অসম টেক্সট বুক কমিটীৰ চেক্ৰেটাৰী শ্ৰীযুত উমাকান্ত শৰ্মা, এম্‌-এ, বি-টি, সাহিত্য-ব্যাকৰণ-শাস্ত্ৰী, বন্ধুবৰ মোঃ মুহিউদ্দিন (কাজি, গোৱালপাৰা), সহকৰ্মী শ্ৰীযুত অনিলকুমাৰ ঘটক, বি-এ, বি-টি শ্ৰীযুত ধনেশ্বৰ শাস্ত্ৰী, শ্ৰীযুত শৰৎ চন্দ্ৰ শৰ্মা, বি-এ, শ্ৰীযুত অনিলচন্দ্ৰ দাস বি-এ, বি-টি (এ, ইন্‌স্পেক্টৰ), শ্ৰীযুত কাশীনাথ শৰ্মা, বি-এ, শ্ৰীযুত উপেন্দ্ৰনাথ ভূঞা, বি এছ্‌-ছি প্ৰভৃতি মহাশয়লোকে হাতে

লিখা অৱস্থাত কিতাপখন চকু ফুৰাই দিয়ে। প্ৰকাশন পৰ্ষদৰ সচিব শ্ৰীযুত বিশ্বনাৰায়ণ শাস্ত্ৰী, এম্-এ দেৱে এই বিষয়ত উৎসাহ দিছে। তদুপৰি কেবা গৰাকী উচ্চ পদস্থ ব্যক্তি, বন্ধু আৰু সহকৰ্মীয়ে মোৰ এই কাৰ্য্যত নানা ধৰণৰ সহায়েৰে উৎসাহিত কৰিছে। তেখেতসকলক আন্তৰিক-কৃতজ্ঞতা জনাইছোঁ। কেবাজনো শিক্ষাবিদৰ লিখিত 'অভিমত' কিতাপত সন্নিবিষ্ট কৰা হ'ল।

কিতাপখন যুগুত কৰোঁতে বহল ব্যাকৰণ, নতুন ব্যাকৰণ, উজু ব্যাকৰণ, সরল-বাংলা ব্যাকরণ, আধুনিক বাংলা ব্যাকরণ, নূতন ছাত্রবোধ ব্যাকৰণ, হেমকোষ অভিধান প্ৰভৃতি যিবোৰ কিতাপ আলোচনা কৰি চোৱা হৈছে, সেইবোৰৰ গ্ৰন্থকাৰসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিলোঁ।

অৰ্থৰ অভাৱত কিতাপখন হাতেলিখা অৱস্থাত প্ৰায় ৩ বছৰ থাকে। অসমৰ শিক্ষা বিভাগৰ ডিৰেক্টৰ মহাশয়ে দয়া কৰি কিছু আৰ্থিক সাহায্য দিয়াত কিতাপখন ছপাবলৈ সুযোগ মিলিল। মাননীয় ডিৰেক্টৰ মহাশয়ৰ ওচৰত সশ্ৰদ্ধ কৃতজ্ঞ।

প্ৰুফ্ চোৱা আদি কাৰ্য্যত বন্ধুবৰ শ্ৰীযুত মনোজকুমাৰ দত্ত, এম্-এ ডাঙৰীয়াই সহায় কৰাত তেখেতৰ শলাগ লৈছোঁ।

কেবাজনো মৰমৰ ছাত্ৰ-ছাত্ৰীয়ে কিতাপখন লিখোঁতে উৎসাহ আৰু উদগনি দিছে, তাৰ বাবে তেওঁলোকক হিয়া-ভৰা স্নেহাশীৰ্ব্বাদ দিলোঁ। ইতি—

গোৱালপাৰা টাউন,
১৯।১২।৬২ ইং

শ্ৰীদুৰ্গাশঙ্কৰ দেৱ শৰ্মা

অভিমত

শ্ৰীযুত দুৰ্গাশঙ্কৰ দেৱ শৰ্ম্মাই যুগুত কৰা "অসমীয়া ভাষা পৰিচয়" কিতাপখন ভালকৈ পঢ়ি চালোঁ। যিসকল বঙালীয়ে অসমীয়া ভাষা শিকিবলৈ ইচ্ছা কৰে তেওঁলোকে এই কিতাপখনৰ পৰা যথেষ্ট সহায় পাব বুলি মোৰ বিশ্বাস। স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ কাৰণেও এই কিতাপখন উপযোগী হব বুলি ভাবোঁ। শ্ৰীযুত শৰ্ম্মা এজন অভিজ্ঞ শিক্ষক। তেখেতে বঙালী মাধ্যমত শিক্ষা দিয়া কাছাৰ জিলাৰ কেইখনমান স্কুলত কাম কৰি নিজ অভিজ্ঞতাৰে এই কিতাপখন ৰচনা কৰে। আশাকৰোঁ লিখকৰ পৰিশ্ৰম আৰু যত্ন সফল হব।

শ্ৰীউমাকান্ত শৰ্ম্মা,
চেক্ৰেটাৰী,
অসম টেক্সট্ বুক্ কমিটি, ছিলং।
১৪।৯।৬২

নামনি অসমৰ (বৰ্ত্তমান উজনি অসমৰ) স্কুলসমূহৰ ইনস্পেক্টৰ শ্ৰীযুত দণ্ডেশ্বৰ গগৈ, এম্-এ মহাশয়ে লিখিছে :—

শ্ৰীমান দুৰ্গাশঙ্কৰ দেৱ শৰ্মাই যুগুত কৰা "অসমীয়া ভাষা পৰিচয়" কিতাপখনি পঢ়ি নথৈ আনন্দ পালোঁ। অসমত বঙলা ভাষাৰ মাধ্যমত চলা বিভিন্ন স্কুলৰ নিম্ন খাপৰ শ্ৰেণীত অসমীয়া ভাষাৰ কিছু ব্যৱহাৰিক জ্ঞান দিয়াৰ ব্যৱস্থা আছে। বঙলাভাষাভাষী ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া শিকাৰ উপযোগী কিতাপ এখনিৰ প্ৰয়োজনীয়তা বহু দিনৰ পৰা অনুভৱ কৰা হৈছিল।

কাছাৰ জিলাৰ হাইস্কুলত বঙলা ভাষাৰ মাধ্যমত শিক্ষকতা কৰাৰ অভিজ্ঞতাৰ পৰা শ্ৰীমান শৰ্মাই কিতাপখনি লিখিছে। স্কুলৰ পাঠ্য-ক্ৰমৰ উপযোগী হিচাবে আৰোহ-প্ৰণালীৰ আহিত ব্যাকৰণৰ প্ৰাথমিক প্ৰয়োজনীয় কথাবোৰৰ উল্লেখ আছে। অসমীয়া আৰু বঙলা—দুয়ো ভাষাৰ প্ৰভেদখিনি বঙলা ভাষাৰ মাধ্যমত বুজাবলৈ চেষ্টা কৰিছে, লগতে আৱশ্যকীয় অনুবাদ থকাত ন-শিকাৰুৰ বাবে বুজিবলৈ সহজ হৈছে। মুঠতে কিতাপখনিৰ লিখা-প্ৰণালী আৰু ব্যাখ্যা সহজ, সৰল আৰু উত্তম হৈছে। বঙলাভাষাভাষী শিক্ষাৰ্থীয়ে সহজতে অসমীয়া ভাষাৰ প্ৰাথমিক জ্ঞান লাভ কৰাৰ কাৰণে এইখনেই একমাত্ৰ প্ৰথম উপযুক্ত কিতাপ বুলি মোৰ ধাৰণা হয়।

এই কিতাপখনে শিক্ষানুষ্ঠানৰ বঙলাভাষাভাষী ছাত্ৰ-ছাত্ৰীৰ উপকাৰ সাধিব বুলি মোৰ বিশ্বাস। অসমীয়া ভাষা সম্বন্ধে কিছু আভাস দিবৰ যত্ন কৰা বাবে লিখকৰ উত্তম প্ৰশংসনীয়। আশাকৰোঁ কৰ্ত্তৃপক্ষৰ হাততো এই কিতাপখনে সমাদৰ লাভ কৰিব।

গুৱাহাটী, ২৫।১২।৬০ শ্ৰীদণ্ডেশ্বৰ গগৈ।

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, কটন কলেজৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক আৰু প্ৰবীণ সাহিত্যিক শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা, এম্‌-এ, বি-এল, বি-টি মহাশয়ে লিখিছে :—

শ্ৰীমান দুৰ্গাশঙ্কৰ দেব শৰ্ম্মাই ৰচনা কৰা 'অসমীয়া ভাষা পৰিচয়' নামৰ পুথিখন পঢ়ি চাই ভাল পালোঁ। বহুদিনৰপৰাই আমি এনে এখন পুথিৰ আৱশ্যকতা অনুভৱ কৰি আহিছোঁ—বিশেষকৈ কাছাৰ জিলাৰ বাবে আৰু অসমীয়া ভাষা শিকিবলৈ ইচ্ছা থকা সদৌ অসমৰ অনা-অসমীয়া লোকসকলৰ বাবে। যিসকলে অসমৰ ভাষা-সাহিত্য শিকিবলৈ ইচ্ছা কৰে, তেওঁলোকক সকলো প্ৰকাৰে সুবিধা কৰি দিয়াটো আমাৰ চৰকাৰ আৰু সাহিত্যিকসকলৰ কৰ্ত্তব্য। শ্ৰীশৰ্ম্মাই এই পুথিখনি ৰচনা কৰি আমাৰ এটা ডাঙৰ অভাৱ পূৰাবলৈ যত্ন কৰাটো এটা দেশহিতৈষিতাৰ কাম হৈছে বুলি কৈছোঁ। পুথিখনৰ ভিতৰুৱা গুণাগুণৰ বিষয়ে মই কোৱাৰ আৱশ্যক নকৰে কিয়নো এই বিষয়ে কেবাজনো বিশেষজ্ঞই অনুকূল মন্তব্য দিছে—ময়ো তাকেই সমৰ্থন কৰিছোঁ। এতিয়া পুথিখনে সোনকালে পোহৰৰ মুখ দেখিলেহে সঠিক আনন্দৰ কথা হ'ব। শ্ৰীশৰ্ম্মাৰ এই সজ প্ৰচেষ্টা জয়যুক্ত হওক ইয়াকে কামনা কৰোঁ।

শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা
২৫।৮।৬১

কটন কলেজৰ সংস্কৃত বিভাগৰ প্ৰধান অধ্যাপক শ্ৰীযুত ৰজনীকান্ত দেব শৰ্ম্মা, এম্-এ, সাহিত্য-পুৰাণ-শাস্ত্ৰীয়ে লিখিছে :—

অসমীয়া ভাষা শিক্ষাৰ্থী বঙালী ছাত্ৰৰ উপযোগী কৰি লিখা "অসমীয়া ভাষা পৰিচয়" নামৰ ব্যাকৰণ গ্ৰন্থখনি আদ্যন্ত পঢ়ি চালোঁ। গ্ৰন্থকাৰ শ্ৰীদুৰ্গাশঙ্কৰ দেৱ শৰ্ম্মা এজন অভিজ্ঞ শিক্ষক। বঙলা ভাষাৰ মাধ্যমেদি ছাত্ৰক পঢ়োৱা সুযোগো তেওঁৰ লাভ হৈছিল। গ্ৰন্থখনিৰ ৰচনা-শৈলীত তেওঁৰ শিক্ষকতাৰ অভিজ্ঞতাৰ ছাপ পৰিছে। মই জনাত অসমীয়া পঢ়িব খোজা বঙালী ছাত্ৰৰ উপযোগী এনে ধৰণৰ দ্বিতীয় গ্ৰন্থ লিখা হোৱা নাই। মোৰ বিশ্বাস, এই গ্ৰন্থৰ সহায়ত বঙালী ন-শিকাৰু ছাত্ৰসকলে অতি কম সময়তে অসমীয়া ভাষাৰ প্ৰাথমিক জ্ঞান লাভ কৰিব পাৰিব। গ্ৰন্থকাৰৰ শ্ৰম সাৰ্থক হৈছে। পুথিখন প্ৰকাশ হোৱা দেখিলে আনন্দিত হম। ইতি।

শ্ৰীৰজনীকান্ত দেৱ শৰ্ম্মা,
কটন কলেজ সংস্কৃত বিভাগ।
২০।৮ ৬১

করিমগঞ্জ চৰকাৰী হাইস্কুলৰ অভিজ্ঞ শিক্ষক শ্রীযুত অনিল কুমাৰ ঘটক, বি-এ, বি-টি ডাঙৰীয়াই লিখিছে :—

শ্রীদুর্গাশঙ্কর দেব শর্মার "অসমীয়া ভাষা পরিচয়" গ্রন্থখানি গভীর অভিনিবেশ সহকারে পাঠ করিয়াছি। গ্রন্থখানির বাংলা ও অসমীয়া অনুবাদ সুচিন্তিত ও সুপরিকল্পিত। ইহার ভাষা সহজ, সরল ও প্রাঞ্জল। অতি সহজ ভাবে অনুবাদের মাধ্যমে ব্যাকরণের কঠিন নিয়মগুলি খুব স্পষ্ট ভাবে রচিত হইয়াছে। কিশোর, কিশোরী, আবাল বৃদ্ধ-বণিতা এই পুস্তকের সাহায্যে অসমীয়া ভাষা শিখিতে পারিবেন।

এই গ্রন্থখানি একদিকে বুদ্ধিবৃত্তির রসায়ন, অপরদিকে ব্যবহারিক জীবনের প্রতি পদক্ষেপে নর্মসচিব স্বরূপ।

এই গ্রন্থখানির বহুল প্রচার ও প্রসার কামনা করি। ইতি—

শ্রীঅনিলকুমার ঘটক
৫।৯।৬১

সূচী

বিষয়	পৃষ্ঠা
ভাষা আৰু ব্যাকৰণ	১
বৰ্ণ প্ৰকৰণ	২
যুক্তাক্ষৰ আৰু বৰ্ণবিন্যাস	৪
শব্দ আৰু পদ	৫
বিশেষ্য	৬
শব্দ-বিভক্তি	১৩
শব্দৰূপ (বিশেষ্যৰ ৰূপ)	১৪
বিশেষণ	১৮
সৰ্ব্বনাম	২২
শব্দৰূপ (ব্যক্তিবাচক সৰ্ব্বনামৰ ৰূপ)	২৬
ক্ৰিয়া	৩৩
অব্যয়	৩৮
পুৰুষ	৪১
বচন	৪৪
উপসৰ্গ আৰু অনুসৰ্গ	৪৮
কাৰক	৫০
উদ্দেশ্য আৰু বিধেয়	৫৪
কাল	৫৫

কালৰ বিভিন্ন ভাগ	৬১
অনুজ্ঞা আৰু পাচনী ক্ৰিয়া ..	৬৪
ক্ৰিয়া-বিভক্তি	৬৫
ধাতুৰূপ	৬৬
বাক্যৰ শ্ৰেণী-বিভাগ (সন্মতিসূচক আৰু নিষেধাৰ্থক বাক্য)	৮৮
(প্ৰশ্নাৰ্থক বাক্য)	৯৩
উক্তি	৯৬
বাচ্য	৯৮
লিঙ্গ	১০০
জতুৱা ঠাঁচ	১০৯
ণত্ববিধি ..	১১৩
ষত্ববিধি	১১৪
সন্ধি	১১৫
সমাস	১১৯
প্ৰত্যয়	১২৩
কথোপ-কথন	১২৮
দৰ্খাস্তৰ নমুনা—(প্ৰধান শিক্ষকলৈ)	১৩০
চিঠিৰ নমুনা—(বন্ধুলৈ)	১৩১
ৰচনা—(বিহু)	১৩২
চমুজীৱনী—(মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ) ..	১৩৩
(বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ) ...	১৩৪
(শ্ৰীজৱহৰলাল নেহৰু) .	১৩৫
পৰিশিষ্ট ..	১৩৬

অসমীয়া ভাষা পৰিচয়

—•) •(•—

ভাষা আৰু ব্যাকৰণ

মানুহে মনৰ ভাব দুই ৰকমে ব্যক্ত কৰে—আকাৰ-ইঙ্গিত আৰু মাত-কথাৰে। মুখৰ কথাৰে বা লিখা কথাৰে মনৰ ভাব অন্যৰ আগত প্ৰকাশ কৰাকে ভাষা (Language) বোলে। দেশ, জাতি, সমাজ ভেদে ভাষা বিভিন্ন। যেনে—সংস্কৃত, অসমীয়া, বঙলা, ইংৰাজী, হিন্দী ইত্যাদি।

ভাষা দুই ৰকম—কথিত আৰু লিখিত। ঠাইভেদে কথিত ভাষা পৃথক। লিখিত ভাষাত ব্যাকৰণৰ নিয়মলৈ লক্ষ্য ৰখা হয়। লিখিত ভাষা (Standard Language) বেচি মাৰ্জিত।

প্ৰত্যেক ভাষাৰ নিজা নিজা ব্যাকৰণ (Grammar) আছে। ব্যাকৰণ পঢ়িলে ভাষা শুদ্ধকৈ কব, লিখিব আৰু পঢ়িব পাৰি।

মনৰ ভাব লিখি প্ৰকাশ কৰিবলৈ কিছুমান চিন ব্যৱহাৰ কৰা হয়। এই চিনক বৰ্ণ বা আখৰ (Letter) বোলে। বৰ্ণসমূহক বৰ্ণমালা (Alphabet) বোলে। বৰ্ণমালাৰ ভাগ দুটা—স্বৰ বৰ্ণ আৰু ব্যঞ্জন বৰ্ণ।

বর্ণ প্রকৰণ

বর্ণমালা (Alphabet)

স্বৰবর্ণ (vowels) অ আ ই ঈ উ ঊ ঋ এ ঐ ও ঔ

া ি ী ু ূ ৃ ে ৈ ো ৌ

ব্যঞ্জন বর্ণ (consonants) ক খ গ ঘ ঙ চ ছ জ ঝ ঞ

ট ঠ ড ঢ ণ ত থ দ ধ ন প ফ ব ভ ম

য ৰ ল ৱ শ ষ স হ ড় ঢ় য় ৎ

ং ঃ ঁ

শ, ষ, স—অসমীয়া ভাষায় এই তিন বর্ণের উচ্চারণ বাংলা ভাষায় করা উচ্চারণের মত হয় না। প্রকৃত উচ্চারণ শিক্ষকের সাহায্যে জানা উচিত। লিখিয়া বুঝান যায় না। **অসম** শব্দের উচ্চারণে অচম বা অছম হয় না।

অন্য কোন ব্যঞ্জন বর্ণের সহিত শ ষ, স যুক্ত হইলে বাংলা বা সংস্কৃতের মত উচ্চারিত হয়। যথা—অশ্ব, অষ্টমী, অস্ত।

উনিশ হইতে পঞ্চাশ পর্য্যন্ত সংখ্যাগুলি পড়িতে অসমীয়া ভাষায় শ-এর স্থানে ছ (বাংলা স বর্ণের মত) উচ্চারিত হয়। যথা—পঁচিশ—পঁচিছ।

ৱ—স্বৰ এবং ব্যঞ্জনের মধ্যে ইহার উচ্চারণ হয়। উচ্চারণের স্থান দন্ত এবং ওষ্ঠ। য, ৰ, ল, ৱ—এই কয়েকটি অন্তঃস্থ বর্ণ (Semi-vowel)।

ৰ—বর্ণের আকৃতি বাংলায় র হয়। যথা—ঘৰ (ঘর)।

চ এবং ছ বর্ণের উচ্চারণে বিশেষ পার্থক্য নাই। যথা—বেচি—বেছি।

ট বর্গের অক্ষরের উচ্চারণ ত বর্গের অক্ষরের উচ্চারণের মত প্রায় করা হয়।

ৱ-ব্যৱহৃত শব্দ

শব্দ	উচ্চারণ		অর্থ (বাংলায়)
ছোৱালী	Chowālı	ছোআলী	মেয়ে
দেৱালী	Dewālı	দেওআলী	দেওয়ালী
ঘৰুৱা	Gharuwa	ঘৰুআ	পারিবারিক
খোৱা	Khowa	খোআ	খাওয়া
পোৱা	Powa	পোআ	পাওয়া
পুৱা	Puwa	পুআ	প্রভাত
ৰোৱে	Rowe	ৰোএ	বোনে
কোনোৱে	Konowe	কোনোএ	কেহ
বিষ্ণুৱে	Bisnuwe	বিষ্ণুএ	বিষ্ণু
খেলুৱৈ	Kheluwai	খেলুঐ	খেলোয়াড়
জানুৱাৰী	(ইং January ৰ লিপ্যন্তৰ)		
কুঁৱলী	Kuwalı	কুঁঅলী	কুয়াসা
ডাৱৰ	Daor	ডাঅৰ	মেঘ

উপরের ৱ-ব্যবহৃত শব্দগুলির উচ্চারণের আভাস দেওয়া হইয়াছে। প্রকৃত উচ্চারণ শিক্ষক বা বিজ্ঞ লোকের সাহায্যে জানিয়া লওয়া উচিত।

অনেক শব্দে ৱ বর্ণের স্থানে ব উচ্চারণ করা হয়। যথা—প্রস্তাৱ, সদ্ভাৱ স্বভাৱ, বৈষ্ণৱ, পাণ্ডৱ, গৌৰৱ, সম্ভৱপৰ ইত্যাদি।

যুক্তাক্ষৰ

ক্ + ষ = ক্ষ, পক্ষ	ণ্ + ড = ণ্ড, ভণ্ড	হ্ + ণ = হ্ণ, বহ্নি
ক্ + ৰ = ক্ৰ, বক্ৰ	ত্ + ত = ত্ত, মত্ত	হ্ + ঋ = হৃ, হৃদয়
ক্ + ত = ক্ত, ভক্ত	ত্ + থ = ত্থ, অশ্বত্থ	শ্ + উ = শু, শুদ্ধ
ঙ্ + গ = ঙ্গ, গঙ্গা	ত্ + ৰ = ত্ৰ, যাত্ৰা	শ্ + ঊ = শূ, শূদ্ৰ
ঙ্ + ক = ঙ্ক, অঙ্ক	ন্ + থ = ন্থ, গ্ৰন্থ	গ্ + উ = গু, গুৰু
জ্ + ঞ = জ্ঞ, যজ্ঞ	ন্ + ধ = ন্ধ, অন্ধ	গ্ + ঊ = গূ, গূঢ়
ঞ্ + চ = ঞ্চ, মঞ্চ	ষ্ + ণ = ষ্ণ, কৃষ্ণ	ৰ্ + উ = ৰু, সৰু
ঞ্ + ছ = ঞ্ছ, বাঞ্ছা	স্ + থ – স্থ, প্ৰস্থ	ৰ্ + ঊ = ৰূ, ৰূপ
ঞ্ + জ = ঞ্জ, কুঞ্জ	হ্ + ম = হ্ম, ব্ৰহ্মা	হ্ + উ = হু, হুন
ট্ + ট = ট্ট, শ্ৰীহট্ট	হ্ + ন = হ্ন, চিহ্ন	হ্ + ঊ = হূ, মুহূৰ্ত্ত

দুই বৰ্ণৰ মিলনক **যুক্তাক্ষৰ** বোলে।

বৰ্ণবিন্যাস

ৰত্ন = ৰ্ + অ + ত্ + ন্ + অ। ঠাট্টা = ঠ্ + আ + ট্ + ট্ + আ। বাক্য = ব + আ + ক্ + য + অ। শুদ্ধ = শ্ + উ + দ + ধ্ + অ। কিঞ্চিৎ = ক্ + ই + ঞ্ + চ্ + ই + ৎ। ক্ৰুদ্ধ = ক্ + ৰ্ + উ + দ + ধ্ + অ। গৃহস্থ = গ্ + ঋ + হ্ + অ + স্ + থ্ + অ। বক্তৃতা = ব্ + অ + ক্ + ত্ + ঋ + ত + আ।

শব্দৰ প্ৰত্যেক বৰ্ণক পৃথক কৰাৰ নাম বৰ্ণবিন্যাস।

শব্দ আৰু পদ

অৰ্থযুক্ত বৰ্ণ বা বৰ্ণসমষ্টিক **শব্দ** (word) বোলে। যেনে— দ, ঔ, নৈ, পানী, মানুহ, অসম ইত্যাদি।

কেইটামান শব্দ লগ লাগি এটা সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিলে, তাক **বাক্য** (Sentence) বোলে যেনে—ধাৰ্ম্মিক মানুহজন মোৰ সৈতে আহিছে।

বাক্যত ব্যৱহৃত শব্দক **পদ** বোলে।

সাধাৰণতে পদ (Parts of speech) পাঁচ প্ৰকাৰ :—

বিশেষ্য—মানুহজন

বিশেষণ—ধাৰ্ম্মিক

সৰ্ব্বনাম— মোৰ

ক্ৰিয়া—আহিছে

অব্যয়—সৈতে

বিভক্তিযুক্ত শব্দ এবং ধাতুকে পদ বলে। অব্যয়ে বিভক্তি যোগ থাকে না। অতএব অনেক বৈয়াকরণিকের নিকট অব্যয় শব্দ বলিয়া গণ্য হইয়াছে।

শব্দার্থ :—আৰু এবং, বোলে—বলে দ—গভীর ঔ—চালতা, নৈ—নদী, পানী—জল মানুহ—মানুষ, তাক—তাহাকে মোৰ—আমার সৈতে—সহিত আহিছে—আসিয়াছেন, কেইটামান—কয়েকটা লগ লাগি—একত্র হইয়া, হলে—হইলে যেনে—যেমন, যথা।

বিশেষ্য (Noun)

মানুহ শ্ৰেষ্ঠ জীৱ।

সাধুতাই উত্তম উপায়।

কিংকং ডাঙৰ মল্লবীৰ।

সোণ মূল্যবান ধাতু।

ভ্ৰমণ শিক্ষাৰ অঙ্গ।

নাম মাত্ৰেই **বিশেষ্য**। যেনে—মানুহ, সাধুতা, কিংকং, সোণ, ভ্ৰমণ ইত্যাদি।

বিশেষ্য পাঁচ প্ৰকাৰ—জাতিবাচক, গুণবাচক, নামবাচক, বস্তুবাচক আৰু ক্ৰিয়াবাচক।

(১) জাতিবাচক বিশেষ্য পদে জাতিৰ নাম বুজায়। যেনে—ছাত্ৰ, পশু, মানুহ।

(২) গুণবাচক বিশেষ্য পদে গুণ, অৱস্থা প্ৰভৃতি বুজায়। যেনে—নম্ৰতা, ভদ্ৰতা, সৌন্দৰ্য্য, সাধুতা।

(৩) নামবাচক বিশেষ্য পদে বিশেষ ব্যক্তি, বস্তু, ঠাই প্ৰভৃতিৰ নাম বুজায়। যেনে—ৰঞ্জিত, কোৰান, বৰাক, হিমালয়, বঙ্গদেশ।

(৪) বস্তুবাচক বিশেষ্য পদে বস্তু বা পদাৰ্থক বুজায়। যেনে—ধান, চাউল, কাগজ, কলম সোণ।

(৫) ক্ৰিয়াবাচক বিশেষ্য পদে ক্ৰিয়াৰ কাৰ্য্য বা অৱস্থা বুজায়। যেনে—ভোজন, গমন, অধ্যয়ন, ভ্ৰমণ।

শব্দাৰ্থ —ডাঙৰ—বড়, বুজায়—বুঝায়, ঠাই—স্থান, বস্তু—বস্তু, জিনিস, চিন—চিহ্ন।

বিশেষ্য

অসমীয়া	বাংলা	অসমীয়া	বাংলা
অমিতা, মধুফল	পেঁপে	ইন্দুৰ, এন্দুৰ	ইন্দুর, ইঁদুর
আইনা, আৰ্চী	আয়না	উৰহ	ছারপোকা
আঙুলি,	অঙ্গুলী, আঙ্গুল	উৰহী	সীম
আঠু	হাঁটু, জানু	এন্ধাৰ, অন্ধকাৰ	অন্ধকার
আহুধান	আশুধান, আউস ধান	এলাহ	আলস্য
		ওকণী	উকুণ
কাউৰী	কাক	গছ	গাছ
কাঁইট	কণ্টক	গাঁত	গর্ত্ত
কেৰাহি	কড়াই	গুটি	বীজ
কলহ	কলস, কলসি	গাওঁ	গ্রাম, পল্লী
কঁকাল	কোমর	ঘোঁৰা	ঘোড়া
কপাহ	কার্পাস	ঘাঁহ	ঘাস
কুঁহিয়াৰ	ইক্ষু, আখ	চৰাই	পাখী, পক্ষী
কল	কলা	চিয়াঁহী	কালি
কঁঠাল	কাঁঠাল	চাকি	বাতি
কুঁৱলী	কুয়াসা	চুলি	চুল
কটাৰী	কাটারী	চন	সাল, সন
কাপোৰ	কাপড়	চাহ	চা
কাণি	ন্যাকড়া	চেনি	চিনি
কোৰ, কোদাল	কোদাল	চিৰা সান্দহ	চিড়া
কাজিয়া	ঝগড়া	চৌকা	চুলা

অসমীয়া	বাংলা	অসমীয়া	বাংলা
কাহ	কাশ, কাশি	চোঁতাল	উঠান, প্রাঙ্গণ
কোলা	কোল	চামনি	সর
খিৰিকী	জানালা	চহৰ	সহর
খেতি	খেত, ক্ষেত	চিএঞৰ	চিৎকার
গাধ	গাধা	ছাগলী	ছাগী
গাঁৰু গাঁড়ু	বালিশ	ছাল	ছাল, চর্ম্ম
ছুৰী	ছুরি চাকু	ধুমুহা	ঝড়
জুই	আগুণ	নিগনি	নেংটি ইঁদুর
জিভা	জিহ্বা	নাও নৌকা	নৌকা
জিলা	জেলা	নাঙল	লাঙ্গল
জিকা, ঝিকা	ঝিঙা, ঝিঙ্গা	নেজ	লেজ
জিৰণি	বিশ্রাম	নিশা ৰাতি	রাত্রি রাতি
টোপনি	নিদ্রা	পাৰ	কবুতর
ডালি, দাইল	ডাল, ডাইল	পকৰা, পিঁপৰা	পিঁপড়া
তামখু, ধপাত	তামাক	পইচা	পয়সা
তুলী	তোষক	পুতলা	পুতুল খেলনা
তামোল	গুয়া, সুপারি	পিঠি	পিঠ, পৃষ্ঠ
তেঁতেলী	তেঁতুল	পুখুৰী	পুকুর, পুষ্করিণী
তিয়ঁহ	শশা	পথাৰ	মাঠ
তেল	তেল, তৈল	পঁজা, কুটিৰ	কুটির
তামচা, ধেমালি	তামাসা	পেক, বোকা	কাদা
তেজ	রক্ত	পিয়াহ	পিপাসা, তৃষ্ণা

অসমীয়া	বাংলা	অসমীয়া	বাংলা
দামুৰী	বাছুর	পেট	পেট, উদর
দুৱাৰ	দুয়ার, দরজা	পোহৰ	আলো
দোৱাত, মৈলাম	দোযাত	ফেঁচা	পেঁচা
দৈ	দৈ, দই	ফাকু	আবীর
দাঁতি, পাৰ	পার, কিনার	ফণি	চিরুণী
বান্দৰ	বানর, বাঁদর	যঁতৰ	চরকা
বৰশী	বঁড়শী	ৰাগ, খং	রাগ
বাঁহী	বাঁশী	লাজ,	লাজ, লজ্জা
বাঁহ	বাঁশ	শিয়াল	শিয়াল শৃগাল
বেজী	সুঁই, ছুঁচ	শিলিখা	হরীতকী
বুকু	বুক, বক্ষ	শাক-পাঁচলি	শাক-সব্জী
বালি	বালি, বালু	শস্য	শস্য, ফসল
বৰষুণ	বৃষ্টি	শাৰী	সারী, পঙ্‌ক্তি
বতাহ	বাতাস	শালিধান	শালিধান, আমনধান
বানপানী	বন্যা		
বঁঠি, মৈদা	বঁঠি, বৈঁঠি	সৰিয়হ, বেহাৰ	সরিষা
বছৰ	বছর, বৎসর	হাঁহ	হাঁস
বেমাৰ, ৰোগ	পীড়া	হোকা	হুকা
ভালুক	ভালুক, ভল্লুক	গছৰ ডাল	গাছের শাখা
ম'হ	মহিষ	গছৰ পাত	গাছের পাতা
মহ	মশা	গছৰ পুলি	গাছের চারা
মাখি	মাছি	হাতৰ তলি	হাতের পাতা

অসমীয়া	বাংলা	অসমীয়া	বাংলা
মিঠাই	মিষ্টি	টেবিলৰ খুৰা	টেবিলের পা
মূৰ	মাথা	মানুহৰ ভৰি	মানুষের পা
মৰিচ, জলকীয়া	মরিচ	গৰুৰ ঠেং	গরুর পা
মজিয়া	মে'জে	নিয়ৰৰ টোপ	শিশির বিন্দু
মাহ	মাস	মেকুৰীৰ পোৱালি	বিড়ালের বাচ্চা

প্রতিশব্দ

বন—বন, জঙ্গল, হাবি, অৰণ্য

রাগ—ৰাগ, খং ক্রোধ

কুটির—কুটিৰ, পঁজা

যুদ্ধ—যুদ্ধ, যুঁজ, ৰণ

স্নেহ—স্নেহ, চেনেহ, মৰম, মোহ

লবণ—লবণ, লোণ, নিমখ

থাল—থাল, কাঁহী

ঘটী—ঘটী, লোটা

লাঠী—লাঠী, টোকান

তাঁত—তাঁত, শাল

তাঁতী—তাঁতী, শিপিনী

রাস্তা—আলিবাট, পথ, ৰাস্তা

ছিদ্র—ফুটা, ছিদ্র, বিন্ধা, জলঙা

দা, কুঠাৰ, কোদাল, খুন্তি, খন্তা, বঁঠি—দুই ভাষায় এক

অনুবাদ

বাংলা	অসমীয়া
একটি কলা।	এটা কল।
একটি চোখ।	এটা চকু।
একটি ছেলে।	এটা লরা।
একটি গরু।	এটা গরু।
একটি পা।	এখন ভরি।
একটি কাণ।	এখন কাণ।
একখানি নৌকা।	এখন নাও।
একখানা বই।	এখন কিতাপ।
একটি পেন্সিল।	এডাল পেঞ্চিল।
একজন ছাত্র।	এজন ছাত্র।
তিনজন শিক্ষক।	তিনিজন শিক্ষক।

অসমীয়া ভাষায় এক এবং দুই সংখ্যার পর "জন, জনী টা খন, ডাল" প্রভৃতি যোগ হইলে এক এবং দুই সংখ্যার ক এবং ই সাধারণতঃ লুপ্ত হয়। যথা— এজনী (একজনী) ছাত্রী। দুজনী (দুইজনী) তিবোতা। এডাল (একডাল) চক। দুখন (দুইখন) চকী।

অনুশীলন

(১) অসমীয়া কৰা —একটি ছেলে। একটি মেয়ে। এক শিশি কালি। একটি হাত। দুইটি দাঁত। দুইটি চিরুণী। একটি বাঁশ। পাঁচটি কাপ। সাতজন অধ্যাপক।

(২) বঙলা কৰা —এটা ছাতি। এটা জুইবাহ (দিয়াশলাই)। এখন কিতাপ। এজন বাটকৰা (পথিক)। সাতজন খেতিয়ক (কৃষক)। এডাল কলম। দুটা নেমু টেঙা (লেবু)। এজোপা গছ। এমোন (একমণ) চাউল। এজনী ভদ্রমহিলা। তিনিখন বিস্কুট। এজনী তিৰোতা (স্ত্রীলোক)।

(৩) তলৰ বাক্যৰ বিশেষ্য পদবোৰ বাচিব কৰা —

তেখেতে ৰাতি গীতা পঢে। চৰাই উৰিব পাৰে। মিচৰৰ তুলা ভাল। আকাশত এজাক চৰাই উৰিছে। নম্রতা এটা সৎ গুণ। ভ্রমণ এটা শিক্ষাৰ অঙ্গ।

শব্দ বিভক্তি

শব্দ বিভক্তি সাতবিধ—প্ৰথমা, দ্বিতীয়া, তৃতীয়া, চতুৰ্থী, পঞ্চমী, ষষ্ঠী, সপ্তমী।

বিভক্তিৰ চিন

প্ৰথমা	এ, ই	
দ্বিতীয়া	ক	
তৃতীয়া	ৰে, দি, দ্বাৰা	একবচন আৰু বহুবচনৰ ৰূপত একে চিন প্ৰয়োগ হয়।
চতুৰ্থী	ক, লৈ	
পঞ্চমী	পৰা	
ষষ্ঠী	ৰ	
সপ্তমী	ত	

শব্দে বিভক্তি প্রয়োগের কয়েকটি নিয়ম নিয়ে দেওয়া হইয়াছে :—

(১) অ এবং আ-কারান্ত শব্দের একবচনে প্রথমা বিভক্তির চিহ্ন 'ই' যোগ হয়। যথা—ছাত্ৰ+ই=ছাত্ৰই, মহিলা+ই=মহিলাই।

(২) ই ঈ এ ঐ, ঋ-কারান্ত শব্দে এ যোগ হইলে, য়ে হয়। যথা—হৰি+এ=হৰিয়ে, ছোৱালী+এ=ছোৱালীয়ে।

(৩) উ, ঊ, ও ঔ-কারান্ত শব্দে এ যোগ হইলে ৱে হয়। যথা—শত্ৰু+এ=শত্ৰুৱে বৌ+এ=বৌৱে।

(৪) কখনও কখনও দ্বিতীয়া বিভক্তির চিহ্ন ক উহ্য থাকে। যথা—মই ভাত (ভাত+ক=ভাতক) খাওঁ।

(৫) তৃতীয়া বিভক্তির দ্বাৰা এবং পঞ্চমী বিভক্তির পৰা যোগ হইলে, শব্দের শেষে একটি "ৰ" যোগ দেওয়া যায়। যথা—মানুহ+পৰা=মানুহৰ পৰা।

শব্দৰূপ (বিশেষ্যৰ ৰূপ)

মানুহ (Man মানুষ)

বিভক্তি	একবচন	বহুবচন
প্ৰথমা	মানুহে	মানুহবিলাকে
দ্বিতীয়া	মানুহক	মানুহবিলাকক
তৃতীয়া	মানুহেৰে	মানুহবিলাকেৰে
	মানুহেদি	মানুহবিলাকেদি
	মানুহৰ দ্বাৰা	মানুহবিলাকৰ দ্বাৰা
চতুৰ্থী	মানুহক	মানুহবিলাকক
	মানুহলৈ	মানুহবিলাকলৈ
পঞ্চমী	মানুহৰ পৰা	মানুহবিলাকৰ পৰা
ষষ্ঠী	মানুহৰ	মানুহবিলাকৰ
সপ্তমী	মানুহত	মানুহবিলাকত

ছাত্ৰ (Student)

প্ৰথমা	ছাত্ৰই	ছাত্ৰবিলাকে
দ্বিতীয়া	ছাত্ৰক	ছাত্ৰবিলাকক
তৃতীয়া	ছাত্ৰেৰে	ছাত্ৰবিলাকেৰে
	ছাত্ৰেদি	ছাত্ৰবিলাকেদি
	ছাত্ৰৰ দ্বাৰা	ছাত্ৰবিলাকৰ দ্বাৰা
চতুৰ্থী	ছাত্ৰক	ছাত্ৰবিলাকক
	ছাত্ৰলৈ	ছাত্ৰবিলাকলৈ
পঞ্চমী	ছাত্ৰৰ পৰা	ছাত্ৰবিলাকৰ পৰা
ষষ্ঠী	ছাত্ৰৰ	ছাত্ৰবিলাকৰ
সপ্তমী	ছাত্ৰত	ছাত্ৰবিলাকত

মহিলা (Lady)

বিভক্তি	একবচন	বহুবচন
১মা	মহিলাই	মহিলাসকলে
২য়া	মহিলাক	মহিলাসকলক
৩য়া	মহিলাৰে মহিলাৰ দ্বাৰা	মহিলাসকলেৰে মহিলাসকলৰ দ্বাৰা
৪র্থী	মহিলাক মহিলালৈ	মহিলাসকলক মহিলাসকললৈ
৫মী	মহিলাৰ পৰা	মহিলাসকলৰ পৰা
৬ষ্ঠী	মহিলাৰ	মহিলাসকলৰ
৭মী	মহিলাত	মহিলাসকলত

মুনি (Sage)

১মা	মুনিয়ে	মুনিসকলে
২য়া	মুনিক	মুনিসকলক
৩য়া	মুনিৰে মুনিৰ দ্বাৰা	মুনিসকলেৰে মুনিসকলৰ দ্বাৰা
৪র্থী	মুনিক মুনিলৈ	মুনিসকলক মুনিসকললৈ
৫মী	মুনিৰ পৰা	মুনিসকলৰ পৰা
৬ষ্ঠী	মুনিৰ	মুনিসকলৰ
৭মী	মুনিত	মুনিসকলত

ছোৱালী (Girl মেয়ে)

বিভক্তি	একবচন	বহুবচন
১মা	ছোবালীযে	ছোৱালীবিলাকে
২য়া	ছোবালীক	ছোৱালীবিলাকক
৩য়া	ছোবালীৰে	ছোবালীবিলাকেৰে
	ছোবালীৰ দ্বাৰা	ছোবালীবিলাকৰ দ্বাৰা
৪র্থী	ছোবালীক	ছোবালীবিলাকক
	ছোবালীলৈ	ছোবালীবিলাকলৈ
৫মী	ছোৱালীৰ পৰা	ছোবালীবিলাকৰ পৰা
৬ষ্ঠী	ছোবালীৰ	ছোবালীবিলাকৰ
৭মী	ছোবালীত	ছোৱালীবিলাকত

শিশু (Baby)

১মা	শিশুৱে	শিশুবিলাকে
২য়া	শিশুক	শিশুবিলাকক
৩য়া	শিশুৰে	শিশুবিলাকেৰে
	শিশুৰ দ্বাৰা	শিশুবিলাকৰ দ্বাৰা
৪র্থী	শিশুক	শিশুবিলাকক
	শিশুলৈ	শিশুবিলাকলৈ
৫মী	শিশুৰ পৰা	শিশুবিলাকৰ পৰা
৬ষ্ঠী	শিশুৰ	শিশুবিলাকৰ
৭মী	শিশুত	শিশুবিলাকত

নাও (Boat নৌকা)

বিভক্তি	একবচন	বহুবচন
১মা	নাও, নাৱে	নাওবোৰে
২য়া	নাৱক	নাওবোৰক
৩য়া	নাৱেৰে	নাওবোৰেৰে
	নাৱেদি	নাওবোৰেদি
	নাৱৰ দ্বাৰা	নাওবোৰৰ দ্বাৰা
৪র্থী	নাৱক	নাওবোৰক
	নাৱলৈ	নাওবোৰলৈ
৫মী	নাৱৰ পৰা	নাওবোৰৰ পৰা
৬ষ্ঠী	নাৱৰ	নাওবোৰৰ
৭মী	নাৱত	নাওবোৰত

ভাটৌ (Parrot)

১মা	ভাটৌৱে	ভাটৌবোৰে
২য়া	ভাটৌক	ভাটৌবোৰক
৩য়া	ভাটৌৰে	ভাটৌবোৰেৰে
	ভাটৌৰ দ্বাৰা	ভাটৌবোৰৰ দ্বাৰা
৪র্থী	ভাটৌক	ভাটৌবোৰক
	ভাটৌলৈ	ভাটৌবোৰলৈ
৫মী	ভাটৌৰ পৰা	ভাটৌবোৰৰ পৰা
৬ষ্ঠী	ভাটৌৰ	ভাটৌবোৰৰ
৭মী	ভাটৌত	ভাটৌবোৰত

বিশেষণ (Adjective)

তেওঁ **বুধিয়ক** ছাত্ৰ।

তাই **অতি সুন্দৰী** ছোৱালী।

খৰকৈ নপঢ়িবা।

যি পদে অন্য কোনো পদৰ গুণ, দোষ, সংখ্যা, পৰিমাণ প্ৰভৃতি বুজায়, তাক **বিশেষণ** বোলে। যেনে—বুধিয়ক, অতিসুন্দৰী, খৰকৈ।

বিশেষণ তিনি প্ৰকাৰ—বিশেষ্যৰ বিশেষণ, বিশেষণীয় বিশেষণ আৰু ক্ৰিয়া বিশেষণ।

যি পদে বিশেষ্যৰ গুণ, দোষ, সংখ্যা, পৰিমাণ প্ৰভৃতি বুজায়, তাক বিশেষ্যৰ বিশেষণ বোলে। যেনে—**পকা** আমটো কাটা। তেওঁ **শান্ত** ল'ৰা। **চাৰিটা** আম আনা। **এসেৰ** গাখীৰ কিনিবা।

যি বিশেষণ পদে আন এটা বিশেষণক বিশেষকৈ বুজায়, তাক বিশেষণীয় বিশেষণ বোলে। যেনে—সি **বৰ** ধুনীয়া ল'ৰা।

যি পদে ক্ৰিয়াৰ গুণ, অৱস্থা প্ৰভৃতি বিশেষকৈ বুজায়, তাক ক্ৰিয়া-বিশেষণ বোলে। যেনে—**বেগাই** যোৱা।

বড় অক্ষৰে দেওৱা শব্দগুলি বিশেষণ-পদৰ দৃষ্টান্ত।

বিশেষণ

অসমীয়া	বাংলা	অসমীয়া	বাংলা
ডাঙব	বড	বগা	সাদা
সরু	ছোট	ক'লা	কাল
ওখ	উঁচু, উন্নত	বঙা	লাল
চাপব, চুটি	নীচু, বেঁটে	মুগা	বাদামী
গধুব	ভারী	নীলা	নীল
পাতল	পাত্‌লা, হালকা	সেউজীয়া	সবুজ
শকত	মোটা	হালধীয়া	হল্‌দে
টান, কঠিন	শক্ত	বেঙুনীয়া	বেগুণে
অলপ	অল্প	দীঘল	লম্বা
বেচি, সবহ	বেশী	বহল	প্রশস্ত
টেঙব	চালাক	কোমল, নবম	কোমল, নরম
অকবা, বুর্ব্বক	বোকা	কাবা, কটু	কড়া
ছিবা, ফটা	ছেঁড়া, ছিন্ন	ঘূবণীয়া	গোল
কম	ন্যূন, কম	চেপেটা	চ্যাপ্টা
মিহি	মসৃণ	চিনাকি	পরিচিত
খহ্‌টা	অমসৃণ	বূপহী	সুশ্রী, সুন্দরী
ভাল	ভাল	বনবীয়া	বন্য
বেয়া	খারাপ, মন্দ	গাঁবলীয়া	গ্রাম্য
নতুন, নব	নতুন, নূতন	বুধিয়ক	বুদ্ধিমান
পুবণি	পুরাতন	খোবা	খোঁড়া

অসমীয়া	বাংলা	অসমীয়া	বাংলা
পোণ, পোন	সোজা	কেঁকোৰা	কোঁকড়ান
বেঁকা	বাঁকা, বক্র,	তাবাতাবি	তাড়াতাড়ি, শীঘ্র
চেঁচা, ঠাণ্ডা	ঠাণ্ডা	লাহে লাহে	ধীরে ধীরে
তপত, গৰম	গরম, উষ্ণ	মাহিলি	মাসিক
কেঁচা	কাঁচা	মাহেকীয়া	মাসিক
পকা	পাকা	পষেকীয়া	পাক্ষিক
শুক	শুকান, শুক্‌নো	বছৰেকীয়া	বাৎসরিক
দুখীয়া	গরীব		

অনুবাদ

বাংলা	অসমীয়া
ভাল ছেলে।	ভাল* ল'ৰা।
খোঁড়া মানুষ।	খোৰা মানুহ।
পোষা বিড়াল।	পোহনীয়া মেকুৰী।
নূতন কাপড়।	নতুন কাপোৰ।
লম্বা দড়ি।	দীঘল জৰি।
মলিন শাড়ী।	ময়লা শাৰী।
শুষ্ক ঘাস।	শুকান ঘাঁহ।
গ্রাম্য সমাজ।	গাৱঁলীয়া সমাজ।

---

* উচ্চারণে অনেক পদের অন্তস্থ অ-কারের সাধারণত লোপ হতে দেখা যায় (হসন্ত শব্দের মত উচ্চারিত হয়)। যথা—ভাল—ভাল্ (Bhal) মানুহ—মানুহ্ (Mānuh) কৰিছিল—কৰিছিল্ (Karichil)

বাংলা	অসমীয়া
কয়েকটি বালক।	কেইজনমান ল'ৰা।
একফোঁটা মধু।	এটোপ মৌ।
তিন টাকা।	তিনি টকা।
দ্বিতীয় শ্রেণী।	দ্বিতীয় শ্ৰেণী।
বিস্তৃত মাঠ।	বহল পথাৰ।
অলপ দুধ।	অলপ এঁৱা-গাখীৰ।
পরম দয়ালু রাজা।	পৰম দয়ালু ৰজা।
উচ্চৈঃস্বরে পড।	ডাঙৰকৈ পঢ়া।
আস্তে আস্তে যাও।	লাহে লাহে যোৱা।
শীঘ্র এস।	তাৰাতাৰি আহা।
চেঁচাইয়া পড়।	চিঞৰি পঢ়া।
শাড়ীখানা ছেঁড়া।	শাৰীখন ছিৰা।
বাঁশটা খারাপ।	বাঁহডাল বেয়া।
বেঞ্চিখানা নীচু।	বেঞ্চিখন চাপৰ।
পেয়ালাটা পাত্‌লা।	পিয়লাটো পাতল্।
এই কলাটা পচা।	এই কলটো পঁচা।
এই কাঁঠালগুলি পাকা।	এই কঁঠালবোৰ পকা।
ঐ চাল্‌তাটা মিষ্ট।	সেই ঔটো মিঠা।
ঐ মানুষটি বড মোটা।	সৌ মানুহজন বৰ শকত।
পেঁপেগুলি কাঁচা নয়।	মধুৰিয়ামবিলাক কেঁচা নহয়।
কলসিটা কি নূতন?	কলহটো নতুন নে?
থালাটা কি কাঁসার নয়?	থালখন কাঁহৰ নহয় নে?

অনুশীলন

(১) অসমীয়া কৰা :—

মেয়েটি সুন্দরী (ধুনীয়া)। খুব দুষ্ট গাভী (গাই)। পাকা আম। পুরাতন আলু। অন্ধ মানুষ। বন্য হস্তী (হাতী)। চিনি মিষ্ট। দুধ (গাখীৰ) সাদা। লোহা শক্ত। চতুষ্পদ (চাৰিঠেঙীয়া) জন্তু। কাপাস নরম। দ্রুত হাঁট। ধীরে চল। অতি সুশীল বালক। সব (সকলো) ছাত্র উপস্থিত। টেবিল খানা (মেজখন) উচু। লোকটি দাম্ভিক। স্বভাবতঃ (স্বাভাৱিকতে) তিনি গরীব (দুখীয়া) নন (নহয়)। প্রাপ্তবয়স্ক (বয়সীয়াল) লোক। অল্পবয়স্ক (কম বয়সীয়া) ছেলে। চলতি (বোৰ্ৱতী) মাস।

(২) বিশেষণ পদ কাক বোলে উদাহৰণ দি বুজোৱা।

সৰ্ব্বনাম (Pronoun)

প্ৰদীপ ন বছৰীয়া ল'ৰা, সি পাব্লিক স্কুলত পঢ়ে।

দাদা পাঁচ বজাত আহিব ; তেতিয়া তেওঁক সেই কথা সুধিম।

অসমৰ ৰাজধানী শিলং, তাত ৰাজ্যপাল থাকে।

বিশেষ্যৰ পৰিবৰ্ত্তে ব্যৱহৃত পদক সৰ্ব্বনাম বোলে। যেনে—সি, তেওঁক, তেতিয়া, সেই, তাত।

সৰ্ব্বনাম চাৰিবিধ—ব্যক্তিবাচক সৰ্ব্বনাম, কালবাচক সৰ্ব্বনাম, স্থান বাচক সৰ্ব্বনাম আৰু বিশেষণ সৰ্ব্বনাম।

যি সৰ্ব্বনাম পদ প্ৰাণী বা ব্যক্তিৰ নামৰ সলনি বহে, তাক ব্যক্তিবাচক সৰ্ব্বনাম বোলে। যেনে—তেওঁ চিঠি বিলাইছে।

বহু বচনে "বোৰ, বিলাক" ব্যৱহৃত হয়। যথা—পদাৰ্থ—তিঁহঁতবোৰ, তিঁহঁতবিলাক।

যি সৰ্ব্বনাম পদে কাল বা সময় বুজায়, তাক কালবাচক সৰ্ব্বনাম বোলে। যেনে—তুমি কেতিয়া আহিলা ?

যি সৰ্ব্বনাম পদে স্থান বা ঠাই বুজায়, তাক স্থানবাচক সৰ্ব্বনাম বোলে। যেনে—মই ইয়াত থাকোঁ।

যি সৰ্ব্বনাম পদ বিশেষণৰ দৰে ব্যৱহাৰ হয়, তাক বিশেষণ সৰ্ব্বনাম বোলে। যেনে—ঘৰত কোনো মানুহ নাই।

সৰ্ব্বনাম

অসমীয়া	বাংলা	অসমীয়া	বাংলা
কোন	কে	এইবোৰ, এইবিলাক	এইগুলি
কাক	কাহাকে		
কাৰ	কাহার	সেইবোৰ, সেইবিলাক	সেইগুলি
কোনটো	কোন্‌টা		
এইটো	ইহা		
সৌটো	উহা	কাইলৈ, অহাকালি	আগামী কল্য
এতিয়া	এখন		
তেতিয়া	তখন		
কেতিয়া	কখন, কবে	কালি, যোৱাকালি	গতকল্য
এতিয়াও	এখনও		

শব্দাৰ্থ ঃ—সলনি—পৰিবৰ্তে ; চাৰিবিধ—চাৰ প্ৰকাৰ।
দৰে, নিচিনা—মত , বহে—বসে।

অসমীয়া	বাংলা	অসমীয়া	বাংলা
কেতিয়াও	কখনও	ইয়াত, ইয়ালৈ	এখানে
এতিয়াই	এখনই	তাত, তালৈ	সেখানে
তেতিয়াই	তখনই	ক'ত, ক'লৈ	কোথায়
আজি	আজ, অদ্য	য'ত, য'লৈ	যেখানে
সিদিনা	সেদিন, সেইদিন		
পৰহি	পরশু, পরশ্ব		
ৰাতিপুৱা	সকাল, প্রভাত		
দুপৰীয়া	দুপুর, মধ্যাহ্ন		
আবেলি	বিকাল		
গধূলি	সাঁঝ, সন্ধ্যা		

অনুবাদ

বাংলা	অসমীয়া
তিনি ভাল ডাক্তার।	তেখেত ভাল ডাক্তৰ।
ইনি বাবার বন্ধু।	এখেত পিতাৰ বন্ধু।
এইটি আমার ঘোড়া।	এইটো মোৰ ঘোৰা।
ইহা তোমার কলম।	এইডাল তোমাৰ কলম।
উহা তাদের ঘর।	সৌটো সিহঁতৰ ঘৰ।
এইগুলি আমাদের গরু।	এইবোৰ আমাৰ গৰু।
সেগুলি তোমাদের মোরগ।	সেইবোৰ তোমালোকৰ কুকুৰা।
বিড়ালটি এখানে আছে।	মেকুৰীটো ইয়াত আছে।

বাংলা	অসমীয়া
বইখানা সেখানে নাই।	কিতাপখন তাত নাই।
বীণা এখনই আসিবে।	বীণা এতিয়াই আহিব।
তিনি কবে আসিবেন?	তেখেত কেতিয়া আহিব?
আগামীকল্য স্কুল বন্ধ থাকিবে।	কাইলৈ স্কুল বন্ধ থাকিব।
গতকল্য বাসায় কেহ ছিল না।	কালি ঘৰত কোনো নাছিল।
দাদা পরশুদিন যাইবেন।	দাদা পৰহিলৈ যাব।
আমি কাল বাড়ী যাইব।	মই কাইলৈ ঘৰলৈ যাম।
তোমার সাম্‌নে বলিব না।	তোমাৰ আগত নকওঁ।

অনুশীলন

(১) খালী ঠাই পূৰণ কৰা :—

— ভাল শিক্ষক। — মোৰ বন্ধু। — স্কুলত পঢ়ে। — ডাকঘৰলৈ যাওঁ। আপুনি — বহক। তেওঁ — ভাই। তেখেত — আহিব। —স্কুল খোলা থাকিব।

(২) তলৰ বাক্যৰ সৰ্ব্বনাম পদবোৰ বাহিৰ কৰা :—

তুমি মনোযোগ দি পঢ়া। আপুনি বুজাই দিয়ক। ইয়ালৈ আহা। তেওঁ সূতা কাটিছে। তাই তাঁত বাইছে। পিতা ইয়াত নাই। কোন গৈছে? আইতা তাত থাকে। এতিয়া যোৱা। দেউতা কাইলৈ আহিব। এইখন তাইৰ মেখেলা।

ব্যক্তিবাচক সর্ব্বনামৰ ৰূপ

প্ৰথম পুৰুষ (First Person)

মই I (আমি)

[পুং আৰু স্ত্ৰী লিঙ্গত]

বিভক্তি	একবচন	বহুবচন
প্ৰথমা	মই	আমি
দ্বিতীয়া	মোক	আমাক
তৃতীয়	মোৰে	আমাৰে
	মোৰ দ্বাৰা	আমাৰ দ্বাৰা
চতুৰ্থী	মোক	আমাক
	মোলৈ	আমালৈ
পঞ্চমী	মোৰ পৰা	আমাৰ পৰা
ষষ্ঠী	মোৰ	আমাৰ
সপ্তমী	মোত	আমাত

দ্বিতীয় পুৰুষ (Second Person)

তুমি you

[মান্যাৰ্থে পুং আৰু স্ত্ৰী লিঙ্গত]

প্ৰথমা	তুমি	তোমালোক, তোমালোকে
দ্বিতীয়া	তোমাক	তোমালোকক
তৃতীয়া	তোমাৰে	তোমালোকেৰে
	তোমাৰ দ্বাৰা	তোমালোকৰ দ্বাৰা

বিভক্তি	একবচন	বহুবচন
চতুৰ্থী	তোমাক	তোমালোকক
	তোমালৈ	তোমালোকলৈ
পঞ্চমী	তোমাৰ পৰা	তোমালোকৰ পৰা
ষষ্ঠী	তোমাৰ	তোমালোকৰ
সপ্তমী	তোমাত	তোমালোকত

তই you (তুই)

[তুচ্ছাৰ্থে পুং আৰু স্ত্ৰী লিঙ্গত]

বিভক্তি	একবচন	বহুবচন
১মা	তই	তহঁত, তহঁতে
২য়া	তোক	তহঁতক
৩য়া	তোৰে	তহঁতেৰে
	তোৰ দ্বাৰা	তহঁতৰ দ্বাৰা
৪র্থী	তোক	তহঁতক
	তোলৈ	তহঁতলৈ
৫মী	তোৰ পৰা	তহঁতৰ পৰা
৬ষ্ঠী	তোৰ	তহঁতৰ
৭মী	তোত	তহঁতত

* আপুনি you (আপনি)

[বিশেষ মান্যাৰ্থে পুং আৰু স্ত্ৰী লিঙ্গত]

১মা	আপুনি	আপোনালোক, আপোনালোকে
২য়া	আপোনাক	আপোনালোকক

"সকল" যোগ কৰিয়া বহুবচন কৰা যায়। যথা—আপোনাসকল, আপোনাসকলক ইত্যাদি।

* "আপুনি" is used as the honorific second personal pronoun

বিভক্তি	একবচন	বহুবচন
৩য়া	আপোনাৰে আপোনাৰ দ্বাৰা	আপোনালোকেৰে আপোনালোকৰ দ্বাৰা
৪ৰ্থী	আপোনাক আপোনালৈ	আপোনালোকক আপোনালোকলৈ
৫মী	আপোনাৰ পৰা	আপোনালোকৰ পৰা
৬ষ্ঠী	আপোনাৰ	আপোনালোকৰ
৭মী	আপোনাত	আপোনালোকত

তৃতীয় পুৰুষৰ (Third Person) সৰ্ব্বনাম

*তেওঁ (He, She)

[মান্যাৰ্থে পুং আৰু স্ত্ৰীলিঙ্গত]

বিভক্তি	একবচন	বহুবচন
১মা	তেওঁ	তেওঁলোক, তেওঁলোকে
২য়া	তেওঁক	তেওঁলোকক
৩য়া	তেওঁৰে তেওঁৰ দ্বাৰা	তেওঁলোকেৰে তেওঁলোকৰ দ্বাৰা
৪ৰ্থী	তেওঁক তেওঁলৈ	তেওঁলোকক তেওঁলোকলৈ
৫মী	তেওঁৰ পৰা	তেওঁলোকৰ পৰা
৬ষ্ঠী	তেওঁৰ	তেওঁলোকৰ
৭মী	তেওঁত	তেওঁলোকত

* বিশেষ মান্যাৰ্থেও "তেওঁ" প্ৰয়োগ হয়। যথা—হজৰৎ মোহম্মদ মুছলমান সকলৰ ধৰ্মগুৰু ; তেওঁ ইছলাম ধৰ্ম প্ৰচাৰ কৰে।

তেখেত He, She (তিনি)

[বিশেষ মান্যাৰ্থে পুং আৰু স্ত্ৰীলিঙ্গত]

বিভক্তি	একবচন	বহুবচন
১মা	তেখেত	তেখেতসকল, তেখেতসকলে
২য়া	তেখেতক	তেখেতসকলক
৩য়া	তেখেতেৰে তেখেতৰ দ্বাৰা	তেখেতসকলেৰে তেখেতসকলৰ দ্বাৰা
৪ৰ্থী	তেখেতক তেখেতলৈ	তেখেতসকলক তেখেতসকললৈ
৫মী	তেখেতৰ পৰা	তেখেতসকলৰ পৰা
৬ষ্ঠী	তেখেতৰ	তেখেতসকলৰ
৭মী	তেখেতত	তেখেতসকলত

সি He (সে)

[তুচ্ছাৰ্থে পুংলিঙ্গত]

১মা	সি	সিহঁত, সিহঁতে
২য়া	তাক	সিহঁতক
৩য়া	তাৰে তাৰদ্বাৰা	সিহঁতেৰে সিহঁতৰদ্বাৰা
৪ৰ্থী	তাক তালৈ	সিহঁতক সিহঁতলৈ
৫মী	তাৰ পৰা	সিহঁতৰ পৰা
৬ষ্ঠী	তাৰ	সিহঁতৰ
৭মী	তাত	সিহঁতত

তাই She (সে)

[তুচ্ছাৰ্থে স্ত্ৰীলিঙ্গত]

বিভক্তি	একবচন	বহুবচন
১মা	তাই	তাইহঁত, তাইহঁতে
২য়া	তাইক	তাইহঁতক
৩য়া	তাইৰে তাইৰ দ্বাৰা	তাইহঁতেৰে তাইহঁতৰ দ্বাৰা
৪র্থী	তাইক তাইলৈ	তাইহঁতক তাইহঁতলৈ
৫মী	তাইৰ পৰা	তাইহঁতৰ পৰা
৬ষ্ঠী	তাইৰ	তাইহঁতৰ
৭মী	তাইত	তাইহঁতত

এওঁ

[মান্যাৰ্থে পুং আৰু স্ত্ৰীলিঙ্গত]

১মা	এওঁ	এওঁলোক, এওঁলোকে
২য়া	এওঁক	এওঁলোকক
৩য়া	এওঁৰে এওঁৰ দ্বাৰা	এওঁলোকেৰে এওঁলোকৰ দ্বাৰা
৪র্থী	এওঁক এওঁলৈ	এওঁলোকক এওঁলোকলৈ
৫মী	এওঁৰ পৰা	এওঁলোকৰ পৰা
৬ষ্ঠী	এওঁৰ	এওঁলোকৰ
৭মী	এওঁত	এওঁলোকত

তই (you), সি (he), তাই (she)—স্নেহাৰ্থেও প্ৰয়োগ হয়।

এখেত (ইনি)

[বিশেষ মান্যাৰ্থে পুং আক স্ত্ৰীলিঙ্গত]

বিভক্তি	একবচন	বহুবচন
১মা	এখেত	এখেতসকল, এখেতসকলে
২য়া	এখেতক	এখেতসকলক
৩য়া	এখেতেৰে	এখেতসকলেৰে
	এখেতৰ দ্বাৰা	এখেতসকলৰ দ্বাৰা
৪ৰ্থী	এখেতক	এখেতসকলক
	এখেতলৈ	এখেতসকললৈ
৫মী	এখেতৰ পৰা	এখেতসকলৰ পৰা
৬ষ্ঠী	এখেতৰ	এখেতসকলৰ
৭মী	এখেতত	এখেতসকলত

ই

[তুচ্ছাৰ্থে পুং আক স্ত্ৰীৰলিঙ্গত]

১মা	ই	ইহঁত, ইহঁতে
২য়া	ইয়াক	ইহঁতক
৩য়া	ইয়াৰে	ইহঁতেৰে
	ইয়াৰদ্বাৰা	ইহঁতৰদ্বাৰা
৪ৰ্থী	ইয়াক	ইহঁতক
	ইয়ালৈ	ইহঁতলৈ
৫মী	ইয়াৰ পৰা	ইহঁতৰ পৰা
৬ষ্ঠী	ইয়াৰ	ইহঁতৰ
৭মী	ইয়াত	ইহঁতত

সেখেত, তেওঁ, সি, তাই—দূৰবৰ্তী।
এখেত, এওঁ, ই, এই—নিকটবৰ্তী।

এই

[তুচ্ছাৰ্থে স্ত্ৰী লিঙ্গত]

বিভক্তি	একবচন	বহুবচন
১মা	এই	এইহঁত, এইহঁতে
২য়া	এইক	এইহঁতক
৩য়া	এইৰে এইৰ দ্বাৰা	এইহঁতেৰে এইহঁতৰ দ্বাৰা
৪ৰ্থী	এইক এইলৈ	এইহঁতক এইহঁতলৈ
৫মী	এইৰ পৰা	এইহঁতৰ পৰা
৬ষ্ঠী	এইৰ	এইহঁতৰ
৭মী	এইত	এইহঁতত

কোন (who কে)

[পুং, স্ত্ৰী আৰু ক্লীৱ লিঙ্গত]

১মা	কোন, কোনে	কোনবিলাক, কোনবিলাকে
২য়া	কাক	কোনবিলাকক
৩য়া	কাৰে কাৰ দ্বাৰা	কোনবিলাকেৰে কোনবিলাকৰ দ্বাৰা
৪ৰ্থী	কাক কালৈ	কোনবিলাকক কোনবিলাকলৈ
৫মী	কাৰ পৰা	কোনবিলাকৰ পৰা
৬ষ্ঠী	কাৰ	কোনবিলাকৰ
৭মী	কাত	কোনবিলাকত

যি (যে)

[তুচ্ছার্থে পুং, স্ত্রী আৰু ক্লীব লিঙ্গত]

বিভক্তি	একবচন	বহুবচন
১মা	যি	যিবিলাক, যিবিলাকে
২য়া	যাক	যিবিলাকক
৩য়া	যাৰে	যিবিলাকেৰে
	যাৰ দ্বাৰা	যিবিলাকৰ দ্বাৰা
৪র্থী	যাক	যিবিলাকক
	যালৈ	যিবিলাকলৈ
৫মী	যাৰ পৰা	যিবিলাকৰ পৰা
৬ষ্ঠী	যাৰ	যিবিলাকৰ
৭মী	যাত	যিবিলাকত

ক্রিয়া (Verb)

বীণাই হাঁহিছে।

যদুৱে অঙ্ক কৰিছে।

বামে ভাত খাই শুইছে।

তেওঁ মোক এটা পুতলা দিছিল।

যি পদে কোনো কাম কৰা, হোৱা প্ৰভৃতি বুজায়, তাক ক্ৰিয়া বোলে। যেনে—হাঁহিছে, কৰিছে, খাই, শুইছে, দিছিল।

ক্ৰিয়া দুবিধ—সমাপিকা আৰু অসমাপিকা ক্ৰিয়া।

যি ক্ৰিয়াৰ দ্বাৰা বাক্যৰ অৰ্থ সম্পূৰ্ণ শেষ হোৱা বুজায়, তাক **সমাপিকা** বা সাধ্যা ক্ৰিয়া বোলে। যেনে—তেওঁ জলপান খাবলৈ **গৈছে**।

যি ক্ৰিয়াৰ দ্বাৰা বাক্যৰ অৰ্থ শেষ হোৱা নুবুজায়, তাক **অসমাপিকা** বা সিদ্ধা ক্ৰিয়া বোলে। যেনে—এওঁ **খেলিবলৈ** আহিছে।

ক্ৰিয়া আকৌ দুবিধ—সকৰ্ম্মক আৰু অকৰ্ম্মক ক্ৰিয়া।

যি ক্ৰিয়াৰ কৰ্ম্ম আছে, তাক সকৰ্ম্মক ক্ৰিয়া বোলে। যেনে—সি ভাত **খালে**। (খালে ক্ৰিয়াৰ কৰ্ম্ম – ভাত)।

যি ক্ৰিয়াৰ কৰ্ম্ম নাই, তাক অকৰ্ম্মক ক্ৰিয়া বোলে। যেনে—তাই **সাঁতুৰিছে**। (সাঁতুৰিছে ক্ৰিয়াৰ কৰ্ম্ম নাই)।

ক্ৰিয়া

অসমীয়া	বাংলা	অসমীয়া	বাংলা
কোৱা	বলা	এৰা	ত্যাগ করা
অহা	আসা	কিনা	কেনা, খরিদ করা, ক্রয় করা
যোৱা	যাওয়া	বেচা	বিক্রী করা, বিক্রয় করা
খোৱা	খাওয়া	বিচা	পাখা করা, বাতাস করা
লোৱা	লওয়া	মাৰা	প্রহার করা
পঢ়া	পড়া	সোধা	পুছা, জিজ্ঞাসা করা

কৰ্, পঢ়্, খা, যা—ইত্যাদি ধাতু। ক্ৰিয়াৰ মূলক ধাতু বোলে।

ইছোঁ, ইলোঁ, ইছিলোঁ, ইম—ইত্যাদি ক্ৰিয়া-বিভক্তি। ধাতুৰে সৈতে ক্ৰিয়া বিভক্তি যোগ হলে, ক্ৰিয়া হয়। যেনে—কৰ্+ইছোঁ—কৰিছোঁ, কৰ্+ইলোঁ—কৰিলোঁ, কৰ্+ইছিলোঁ—কৰিছিলোঁ, কৰ্+ইম—কৰিম।

ক্রিয়া

অসমীয়া	বাংলা	অসমীয়া	বাংলা
বহা	বসা	ধোৱা	ধোওয়া, ধৌত করা
কৰা	করা	চিঞৰা	চিৎকার করা
লিখা	লেখা	খন্দা	খনন করা
শিকা	শিখা	পি খোৱা	পান করা
দিয়া	দেওয়া	থিয় হোৱা	দাঁড়ান
পোৰা	পোড়া	খোঁজ কঢ়া	হাঁটা
ৰখা	রাখা	আঠু কঢ়া	হাঁটু গাড়িয়া বসা
ভাহা	ভাসা	সাৰ পোৱা	জাগা
বিচৰা	চাওয়া	পোহৰ দিয়া	আলো দেওয়া
দেখুৱা	দেখান	এৰি দিয়া	ছাড়িয়া দেওয়া
জপিওৱা	লাফান	যুঁজ কৰা	যুদ্ধ করা
পঠোৱা	পাঠান	মিছা কোৱা	মিথ্যা বলা
কামোৰা	কামড়ান	সঁচা কোৱা	সত্য কথা বলা
খেদায়	তাড়ায়	গালি পাৰা	গালি দেওয়া
খজুৱায়	চুলকায়	মনত পেলোৱা	স্মরণ করা
পেলোৱা	ফেলিয়া দেওয়া	জুই নুমুৱা	আগুন নিভাণ
পাহৰা	ভুলিয়া যাওয়া	সন্দেহ কৰা	সন্দেহ করা
পৰা	পড়িয়া যাওয়া	পলোৱা	পলায়ন করা
পিন্ধা	পরিধান করা	জ্বলোৱা	আগুন ধরান

অনুবাদ

বাংলা	অসমীয়া
কাজল ইংরেজী জানে।	কাজলে ইংৰাজী জানে।
আমি বই কিনিয়াছি।	মই কিতাপ কিনিছোঁ।
আমরা বাড়ী যাই।	আমি ঘৰলৈ যাওঁ।
রাম ভাত খাইয়া আসিবে।	ৰামে ভাত খাই আহিব।
আমরা অঙ্ক করিয়া থাকিব।	আমি অঙ্ক কৰি থাকিম।
সে টক্ খাইতে ভাল বাসে।	তাই টেঙা খাবলৈ ভাল পায়।
কনক এম এ পড়িতে গিয়াছে।	কনক এম এ পঢ়িবলৈ গৈছে।
সে এখনও আসে নাই।	সি এতিয়ালৈকে অহা নাই।
তোমরা খেলিতে পার না।	তোমালোকে খেলিব নোৱাৰা।
তিনি এখন পর্য্যন্ত আসেন নাই।	তেখেত এতিয়ালৈকে অহা নাই।
টাকা হইলে সে পড়িত।	টকা হলে সি পঢ়িলেহেঁতেন।
চতুর্দ্দিকে অন্ধকার হইতেছে।	চাৰিওফালে এন্ধাৰ হৈছে।
ইনি বন্ধুর সহিত আলাপ করিতেছেন।	এখেতে বন্ধুৰ লগত কথা পাতিছে।
বালিকাটি কাঁদিতে-কাঁদিতে গিয়াছে।	ছোৱালীজনী কান্দি কান্দি গৈছে।
বাজার থেকে আম কিনিয়াছিলাম।	বজাৰৰ পৰা আম কিনিছিলোঁ।
তরকারীতে মরিচ বেশী দিবে না।	আঞ্জাত জলকীয়া বেচি নিদিবা।
আমি বাবার সামনে বলিব।	মই পিতাৰ আগত কম।
হরি পাচ মাইল দূরে থাকে।	হৰি পাঁচ মাইল দূৰৈত থাকে।
আমি তাহার নিকট টাকা পাই।	মই তেওঁৰ ওচৰত টকা পাওঁ।
তুমি রচনা লিখিয়া দেখাইবে।	তুমি ৰচনা লিখি দেখুৱাবা।

বাংলা	অসমীয়া
ছেলেটি বাজারে গিয়া ঝগড়া করিতেছে।	ল'ৰাটোৱে বজাৰলৈ গৈ কাজিয়া কৰিছে।
সে আসার সময় আমি বাসায় ছিলাম না।	সি আহোঁতে মই ঘৰত নাছিলোঁ।
তিনি আমাকে বিস্কুট্ দিলেন।	তেখেতে মোক বিস্কুট দিলে।

অনুশীলন

(১) তলৰ বাক্যৰ ক্ৰিয়াপদবোৰ বাহিৰ কৰা :—

মই চিঠি লিখিছোঁ। তেওঁ মোক মাৰিলে। নৃপেনে বাঙিৰ ধৰিছে। তেখেত আহিলে মই যাম। তাই সাঁতুৰিবলৈ ধৰিছে। তেওঁক কুকুৰে কামুৰিছে। গৰুৱে হেৰেলিয়াইছে। সি গছৰ পৰা নামিছে। সি আকৌ গছত উঠিছে। হলিৰামে জাপি তৈয়াৰ কৰে। তুমি পাহৰিছিলা। খেতিয়কে ধান ছটিয়াইছে। কুকুৰে ভুকিছে। তেওঁ আহোঁতে তুমি ঘৰত নাছিলা। বাইদেৱে মোক এখন কমাল দিছিল।

(২) ক্ৰিয়া কাক বোলে উদাহৰণ দি বুজোৱা।

(৩) তলৰ ক্ৰিয়া পদবোৰ খটুৱাই বাক্য সাজা :—

শুনা দেখা, চোৱা, কিনা, পঢ়া, খোৱা, জনা, থকা, খিয়হোৱা, খোজ কঢ়া।

অব্যয়

হৰি আৰু মধু আহিব।

ৰাম বা শ্যাম যাব।

হে প্ৰভু! ৰক্ষা কৰা।

যি শব্দৰ কোনো অৱস্থাতেই পৰিবৰ্তন নহয়, তাক **অব্যয়** বোলে। অব্যয়ৰ পুৰুষ, বচন, লিঙ্গ নাই।

আৰু, কিন্তু, ও, বা, অথবা, যদি, কাৰণ, গতিকে, হেতু, নিমিত্তে, অৰ্থাৎ, প্ৰতি, কি, বিনা, ঠিক, হঠাৎ, আঃ, হায়, নে, যেন, যেনে, হেৰ, হেৰা, হেৰি, ভাল, বাৰু—প্ৰভৃতি অব্যয় শব্দ।

অব্যয় * প্ৰধানকৈ তিনিবিধ :—যোজক অব্যয়, বিযোজক অব্যয় আৰু ভাৱবোধক অব্যয়।

(১) যোজক অব্যয়ে দুটা পদ বা বাক্যৰ অৰ্থ জোৰা লগায়। যেনে—কুণাল আৰু শঙ্কৰ আহিছিল।

(২) বিযোজক অব্যয়ে দুটা পদ বা বাক্যৰ অৰ্থ পৃথক কৰি দেখুৱায়। যেনে—সি ধনী কিন্তু বৰ কৃপণ।

(৩) ভাৱবোধক অব্যয়ে বক্তাৰ মনৰ সুখ, দুখ, হৰ্ষ, বিষাদ ইত্যাদি ভাৱ প্ৰকাশ কৰে। যেনে—হে ভগবান! বিপদৰ পৰা উদ্ধাৰ কৰা! ছিঃ এইটো বেয়া কাম।

---

* অব্যয় ৮ প্ৰকাৰ :—(৪) সন্দেহবোধক—যদি, (৫) আনুষঙ্গিক—নবে, দেই, বেল, (৬) সম্বোধনাৰ্থক—হেৰ, হেৰা, হেৰি, ঐ, (৭) প্ৰশ্নাৰ্থক—নে, নো, জানো, (৮) সম্বিধানবোধক—বাৰু, এৰা, ভাল, হয়।

অনুকার শব্দ—হুব্ হুব্, গিব্ গিব্, টং টং, কা-কা।

অনুরূপ শব্দ—মাছ-টাছ, চাউল-টাউল, চাহ-টাহ।

অব্যয়

অসমীয়া	বাংলা	অসমীয়া	বাংলা
নাইবা	নতুবা, কিংবা	এতেকে	অতএব
বাবে	জন্য, সুতরাং	আকৌ	আবার
লগত	সাথে, সঙ্গে	কেৱল	শুধু, কেবল
দৰে, নিচিনা	মত, সদৃশ	তেনেহলে	তবে
কিয়নো	কেন না	কি জানি	হয়তো
তেন্তে	তাহা হইলে	তথাপি	তবু

অনুবাদ

বাংলা	অসমীয়া
লীলা এবং বেলা গান করে।	লীলা আৰু বেলাই গান গায়।
সে এখানে আছে কিন্তু তাহার জ্বর।	সি ইয়াত আছে কিন্তু তাৰ জ্বৰ।
বর্ষাকাল অথচ আকাশে মেঘ নাই।	বাৰিষা অথচ আকাশত মেঘ নাই।
তাহার সঙ্গে আমার দেখা হয় নাই।	তেওঁৰ লগত মোৰ দেখা হোৱা নাই।
যদি সে আসে, তা হইলে খবর পাইবে।	যদি সি আহে তেন্তে খবৰ পাবা।
তোমার মত খারাপ ছেলে নাই।	তোমাৰ নিচিনা বেয়া ল'ৰা নাই।
তুমি কি পরশু বাড়ী গিয়াছিলে?	তুমি পৰহি ঘৰলৈ গৈছিলা নেকি?
হাট থেকে শুধু মাছ আনিবে।	হাটৰ পৰা কেৱল মাছ আনিবা।
আবার কবিতাটি বুঝাইয়া দেন।	আকৌ কবিতাটো বুজাই দিয়ক।

বাংলা	অসমীয়া
রাম আর তাহার বোন একসঙ্গে পড়ে।	ৰাম আৰু তেওঁৰ ভনীয়েক একেলগে পঢ়ে।
মেয়েটি খিল্‌খিল্‌ করিয়া হাসিতেছে।	ছোৱালীজনী খিল্‌খিল্‌কৈ হাঁহিছে।
মৌমাছিরা গুণ্ গুণ্ করিতেছে।	মৌমাখিবোৰে গুণ গুণ কৰিছে।
উঃ। তরকারীতে কি ঝাল।	উঃ। আঞ্জাত কি জ্বলা।
তবে তুমি এই বিষয়ে কি বল?	তেন্তে তুমি এই বিষয়ে কি কোৱা?
তোমার জন্য আমি ঝগড়া করিব না।	তোমাৰ নিমিত্তে মই কাজিয়া নকৰোঁ।
সবাই তাহাকে 'মান্নু' বলিয়া ডাকে।	সকলোৱে তাক 'মান্নু' বুলি মাতে।

অনুশীলন

(১) অব্যয়ৰ পাঁচোটা উদাহৰণ দিয়া।

(২) বঙলা ভাষালৈ ভাঙনি কৰা —

বেয়া ল'ৰাৰ লগত নুফুৰিবা। বয়সীয়াল লোকক সন্মান কৰিবা। চোতালখন চাক্‌চিকুণকৈ ৰাখিবা। জুইৰ ওচৰত নেথাকিবা। অলপ নিলগত থাকা। এইটো আচৰিত ঘটনা। ইহঁত (ইহাৰা) সদায় ঘৰত নেথাকে। তেওঁ সদায় ধন্দত পৰিছে। মই দুখিবলৈ ওলাইছোঁ।

(৩) তলৰ বাক্যৰ পদবোৰৰ নাম কোৱা :—

অকণিহঁতে ফুল বুটলিছে। সিহঁতে আনন্দত নাচিছে। ৰাতি পুৱাল। কাউৰীয়ে কা-কা কৰিছে। মলয়া বতাহ বলিছে। বাগানত ফুল ফুলিছে। কাইলৈ মোৰ ঘৰত ভাত খাবা। বেয়া কথা কেতিয়াও নকবা।

পুৰুষ (Person)

পুৰুষ তিনি প্ৰকাৰ—প্ৰথম পুৰুষ (First person), দ্বিতীয় পুৰুষ (Second person) আৰু তৃতীয় পুৰুষ (Third person)।

মই, আমি—অৰ্থবোধক সৰ্ব্বনাম পদবোৰ প্ৰথম পুৰুষৰ।

তই, তহঁত, তুমি, তোমালোক, আপুনি, আপোনালোক—অৰ্থবোধক সৰ্ব্বনাম পদবোৰ—দ্বিতীয় পুৰুষৰ।

অন্য সমস্ত ব্যক্তিবোধক সৰ্ব্বনাম আৰু বিশেষ্য পদবোৰ—তৃতীয় পুৰুষৰ। যেনে—সি তাই, সিহঁত, তেওঁ, তেওঁলোক, তেখেত, তেখেতসকল, মানুহ, গছ, লতা, কিতাপ, ফল, ফুল ইত্যাদি।

অসমীয়া	বাংলা	অসমীয়া	বাংলা
মই	আমি	আমি	আমরা
মোক	আমাকে	আমাক	আমাদিগকে
মোৰ	আমার	আমাৰ	আমাদের
তুমি	তুমি	তোমালোক	তোমরা
তোমাক	তোমাকে	তোমালোকক	তোমাদিগকে
তোমাৰ	তোমার	তোমালোকৰ	তোমাদের
আপুনি	আপনি	আপোনালোক	আপনারা
আপোনাক	আপনাকে	আপোনালোকক	আপনাদিগকে
আপোনাৰ	আপনার	আপোনালোকৰ	আপনাদিগের

বাংলা ব্যাকরণে পুরুষের ভাগ—উত্তম পুরুষ (First person), মধ্যম পুরুষ (Second person) এবং প্রথম পুরুষ (Third person)

অসমীয়া	বাংলা	অসমীয়া	বাংলা
সি, তাই	সে	সিহঁত	তাহারা
তাক, তাইক	তাহাকে	সিহঁতক	তাহাদিগকে
তাৰ, তাইৰ	তাহার	সিহঁতৰ	তাহাদের
তেখেত	তিনি	তেখেতসকল	তাঁহারা
তেখেতক	তাঁহাকে	তেখেতসকলক	তাঁহাদিগকে
তেখেতৰ	তাঁহার	তেখেতসকলৰ	তাঁহাদিগের

অনুবাদ

বাংলা	অসমীয়া
তিনি আমার বড ভাই।	তেখেত মোৰ ককাইদেউ।
তোমার ভাই কয়জন ?	তোমাৰ ভায়েৰা কেইজন ?
ইহা আপনার কোট্।	এইটো আপোনাৰ কোট।
উহা তোর টুপী।	সৌটো তোৰ টুপী।
ইহা তাহার শাডী।	এইখন তাইৰ শাৰী।
উহা তাদের মশারী।	সৌখন সিহঁতৰ আঠুৱা।
ইহাই আমার উপদেশ।	এয়ে মোৰ উপদেশ।
আমরা আসামে বাস করি।	আমি অসমত বাস কৰোঁ।
সত্যিই তাঁহার টাকা নাই।	সঁচাকৈ তেখেতৰ টকা নাই।
মাসী-মা ঘরের সামনে আছে।	মাহী ঘৰৰ সন্মুখত আছে।
সবলোক সেখানে আছে।	সকলো মানুহ তাত আছে।
বিমলা অপেক্ষা নীলিমা বড়।	বিমলাতকৈ নীলিমা ডাঙৰ।
ঐ ছেলেটি সবচেয়ে ছোট।	সৌ ল'ৰাটো সকলোতকৈ সৰু।

বাংলা	অসমীয়া
* নিষেধার্থক ক্রিয়া বুঝাইতে ক্রিয়া পদের আগে ন, না নে নু নো প্রয়োগ হয়। এই সব ন এর বিভিন্ন আকার। ক্রিয়া পদের প্রথম অক্ষরের সহিত ব্যবহৃত স্বরবর্ণ অনুসারে নিষেধার্থক অব্যয়গুলি ব্যবহার হয় যথা—নকওঁ, নাথাকে, নেপেলাবা, নিদিবা, নুশুনা নোসোধে।

ক্রিয়া পদের প্রথম অক্ষরটা স্বরবর্ণ হইলে, ক্রিয়ার আগে ন্ বসে। এই ন্-এর সহিত পরের স্বরবর্ণ যোগ হয়। যথা—ন্+এৰে=নেৰে, ন্+উঠে=নুঠে, ন্+ওলায়=নোলায়, ন্+আছিল=নাছিল।

নাথাকে এবং নেথাকে—উভয়েই প্রচলিত।

ন+হৈছিল=নহৈছিল (উপরের নিয়মের ব্যতিক্রম ঘটে। নৈহৈছিল ভুল)

বাক্য পৰিবৰ্ত্তন
(Change of Sentences)

সম্মতিসূচক বাক্য	নিষেধাৰ্থক বাক্য
মই সাঁতুৰিব পাৰোঁ।	মই সাঁতুৰিব নোৱাৰোঁ।
তুমি হহঁৰাব পাৰা।	তুমি হঁহুৰাব নোৱাৰা।
হেমেনে পঢ়ুৱাব পাৰে।	হেমেনে পঢ়ুৱাব নোৱাৰে।
তিৰোতাজনী ধুনীয়া।	তিৰোতাজনী ধুনীয়া নহয়।
অনিমা মোৰ ভনী।	অনিমা মোৰ ভনী নহয়।
লোটাটো গধুৰ।	লোটাটো গধুৰ নহয়।
আমাৰ মটৰ গাড়ী আছে।	আমাৰ মটৰ গাড়ী নাই।
তেওঁৰ মাক-বাপেক আছে।	তেওঁৰ মাক-বাপেক নাই।
শিক্ষকে মোক মৰম কৰে।	শিক্ষকে মোক মৰম নকৰে।
সিহঁত ঘৰলৈ গ'ল।	সিহঁত ঘৰলৈ নগ'ল।
আমাৰ ছাগলী আছিল।	আমাৰ ছাগলী নাছিল।
মই বিছনাত আছিলোঁ।	মই বিছনাত নাছিলোঁ।
তুমি পদূলি মুখত আছিলা।	তুমি পদূলি মুখত নাছিলা।
সাধনা ঘৰত আছিল।	সাধনা ঘৰত নাছিল।
তেওঁ কলেজত পঢ়িছিল।	তেওঁ কলেজত পঢ়া নাছিল।
গল্পটো লিখা হৈছিল।	গল্পটো লিখা হোৱা নাছিল।
সি বৰষুণত তিতিছিল।	সি বৰষুণত তিতা নাছিল।
তেওঁ ৰাতিপুৱা আছিল।	তেওঁ ৰাতিপুৱা নাছিল।
ইহঁতে পঢ়িবলৈ এৰিলে।	ইহঁতে পঢ়িবলৈ নেৰিলে।
তেখেত ৰবিবাৰে ঘৰত থাকে।	তেখেত ৰবিবাৰে ঘৰত নাথাকে।

সম্মতিসূচক বাক্য	নিষেধাৰ্থক বাক্য
তুমি তালৈ যাব লাগে।	তুমি তালৈ যাব নালাগে।
এওঁক ফটোখন দেখুৱাবা।	এওঁক ফটোখন নেদেখুৱাবা।
মই সদায় ধুতী পিন্ধোঁ।	মই সদায় ধুতী নিপিন্ধোঁ।
এওঁ শিলঙত থাকে।	এওঁ শিলঙত নাথাকে।
তুমি মোৰ কথা শুনা।	তুমি মোৰ কথা নুশুনা।
তেওঁ ৰাতিপুৱাই উঠে।	তেওঁ ৰাতিপুৱাই নুঠে।
মই এখেতক চিনি পাওঁ।	মই এখেতক চিনি নেপাওঁ।
জাবৰবোৰ ইয়াত পেলাবা।	জাবৰবোৰ ইয়াত নেপেলাবা।
তেখেত সদায় বাহিৰলৈ ওলায়।	তেখেত সদায় বাহিৰলৈ নোলায়।
শিক্ষকে মোক প্ৰশ্ন সোধে।	শিক্ষকে মোক প্ৰশ্ন নোসোধে।

অনুশীলন

নিষেধাৰ্থক বাক্যলৈ পৰিবৰ্ত্তন কৰা :—

সেউতা ঘৰত আছে। দাদা কলিকতাত আছিল। বুলুৱে স্কুলত পঢ়ে। তেওঁ সদায় ঘৰত থাকে। কাইলৈ তেখেত আহিব। শিক্ষকৰ কথা শুনিবা। তেওঁৰ ভায়েকহঁত ইয়াত থাকে।

প্ৰশ্নাৰ্থক বাক্য
(Interrogative Sentences)

বাংলা	অসমীয়া
আমি কি যাইতে পারি?	মই যাব পাৰোঁ নে?
তুমি কি খেলিতে পার?	তুমি খেলিব পাৰা নে?
তিনি কি বলিতে পারেন?	তেখেতে কব পাৰে নে?
তোমাদের কি বই আছে?	তোমালোকৰ কিতাপ আছে নে?

বাংলা	অসমীয়া
তিনি কি ভাত খাইয়াছেন ?	তেখেতে ভাত খাইছে নে ?
আমি কি বাহিরে যাইব ?	মই বাহিৰলৈ যাম নে ?
তিনি কি আফিসে যাইবেন ?	তেখেত অফিচলৈ যাব নে ?
মিনু কি গান গাহিবে ?	মিনুৱে গান গাব নে ?
সুরেশ কি স্কুলে ছিল ?	সুৰেশ স্কুলত আছিল নে ?
তুমি কি সাপটা দেখিয়াছিলে ?	তুমি সাপটো দেখিছিলা নে ?
তোমরা কি বাসায় পড়িয়াছিলে ?	তোমালোকে ঘৰত পঢ়িছিলা নে ?
তুমি কি প্রবন্ধ লিখিয়াছ ?	তুমি প্ৰবন্ধ লিখিছা নেকি ?
তুমি কাল আসিলে না কেন ?	তুমি কালি কেলেই নাহিলা ?
তোমরা কি বল ?	তোমালোকে কি কোৱা ?
তুমি এখন কি করিতেছ ?	তুমি এতিয়া কি কৰিছা ?
বাহিরে কে আছে ?	বাহিৰত কোন আছে ?
আপনি কবে গিয়াছিলেন ?	আপুনি কেতিয়া গৈছিল ?
সে তোমাকে কেমন করিয়া জানে ?	সি তোমাক কেনেকৈ জানে ?
কিসের জন্য আমাকে ডাকিয়াছেন ?	মোক কিয় মাতিছে ?
তোমরা কোথায় যাও ?	তোমালোক কলৈ যোৱা ?
এত তাড়াতাড়ি চলিতেছ কেন ?	ইমান বেগাই কেলেই গৈছা ?
আপনার শরীর কেমন আছে ?	আপোনাৰ গা কেনে আছে ?
তোমার কয়খানা পাখা আছে ?	তোমাৰ কেইখন বিচনী আছে ?
বাজারে মাছের দাম ক'ত ?	বজাৰত মাছৰ দাম কিমান ?
এই লোকটি কি রকম ?	এই মানুহজন কেনেকুৱা ?
আপনার বাড়ী কোথায় ?	আপোনাৰ ঘৰ ক'ত ?

সাধারণতঃ নে প্রয়োগ করিয়া প্রশ্নবোধক বাক্য করা হয়।

বাক্য-পৰিবৰ্ত্তন

(Change of Sentences)

সম্মতিসূচক বাক্য	প্ৰশ্নাৰ্থক বাক্য
তেওঁ সদায় ব্যায়াম কৰে।	তেওঁ সদায় ব্যায়াম কৰে নে ?
তুমি তালৈ গৈছিলা।	তুমি তালৈ গৈছিলা নে ?
তেখেত কলেজৰ অধ্যক্ষ আছিল।	তেখেত কলেজৰ অধ্যক্ষ আছিল নে ?
ই সদায় আহে।	ই সদায় আহে নে ?
গোহালিত গৰু আছে।	গোহালিত গৰু আছে নে ?
ভিনীহিয়ে ভাত খালে।	ভিনীহিয়ে ভাত খালে নে ?
দদাইদেউ ঘৰত আছে।	দদাইদেউ ঘৰত আছে নে ?
মই ধুবুৰীলৈ যাম।	মই ধুবুৰীলৈ যাম নে ?
আপুনি এবাৰ আহিব।	আপুনি এবাৰ আহিব নে ?

নিষেধাৰ্থক বাক্য	প্ৰশ্নাৰ্থক বাক্য
তেওঁ চহকী (ধনী) নহয়।	তেওঁ চহকী নহয় নে ?
তেখেত অহা নাই।	তেখেত অহা নাই নে ?
আপুনি বিয়ালৈ নেযায়।	আপুনি বিয়ালৈ নেযায় নে ?
মই জঁপিয়াব নোৱাৰোঁ।	মই জঁপিয়াব নোৱাৰোঁ নে ?
তুমি অলপো নাখালা।	তুমি অলপো নাখালা নে ?
অজিতে বক্তৃতা নিদিলে।	অজিতে বক্তৃতা নিদিলে নে ?
ভাইটি চোতালত নাছিল।	ভাইটি চোতালত নাছিল নে ?
মোক কিতাপখন নিদিবা।	মোক কিতাপখন নিদিবা নে ?

অনুশীলন

তলৰ বাক্য কেইটা প্ৰশ্নাৰ্থক বাক্যলৈ পৰিবৰ্ত্তন কৰা —

তেওঁ দৌৰিব পাৰে। আপুনি সদায় খেলিবলৈ যায়। সি ঘৰলৈ গ'ল। ভাই চোতালত (উঠান) আছিল। সভাপতি ডাঙৰীয়া আহিব। অেখতৰ ভাৱেৰ ইয়াত থাকে। মাষ্টী গোঁসাই ঘৰত (ঠাকুৰ-ঘৰে) আছে। বাঁহডাল পানীত ওঁপহি (ভাসিয়া) গ'ল। মহিলাগৰাকী নাহিল। তেওঁ ঘটনাটো নকলে। আজি ঘৰত আলহী (অতিথি) নাই।

উক্তি (Narration)

উক্তি দুই প্ৰকাৰ—প্ৰত্যক্ষ আৰু পৰোক্ষ উক্তি।

প্ৰত্যক্ষ উক্তি—বক্তাৰ কথা তেওঁৰ (বক্তাৰ) নিজৰ কথাত হুবহু প্ৰকাশ কৰিলে, তাক প্ৰত্যক্ষ উক্তি (Direct Narration) বোলে। যেনে—শিক্ষকে কৈছে, "পৃথিৱী ঘূৰণীয়া"।

পৰোক্ষ উক্তি—বক্তাৰ কথাৰ ভাবটো ৰাখি তাক আনৰ কথাত প্ৰকাশ কৰাকে পৰোক্ষ উক্তি (Indirect Narration) বোলে। যেনে—শিক্ষকে কৈছে যে পৃথিৱী ঘূৰণীয়া।

উক্তিৰ পৰিবৰ্ত্তন (Change of Narration)

প্ৰ :—হৰিয়ে ক'লে, "মই স্কুললৈ নগলোঁ।"

প :—হৰিয়ে ক'লে যে সি স্কুললৈ নগ'ল।

প্ৰ :—পিতাই কৈছিল, "পৃথিৱী সূৰ্য্যৰ চাৰিওফালে ঘূৰে।"

প :—পিতাই কৈছিল যে পৃথিৱী সূৰ্য্যৰ চাৰিওফালে ঘূৰে।

প্ৰ :- লৰাটোৱে কৈছিল, "মই ভাত খোৱা নাই।"

প :—লৰাটোৱে কৈছিল যে সি ভাত খোৱা নাছিল।

প্ৰ :—ৰামে কয়, "মই কটি খাম।"

প :—ৰামে কয় বোলে সি কটি খাব।

প্ৰ :—বিপুলে কৈছে, "মই বগৰী খাইছোঁ।"

প :—বিপুলে কৈছে যে সি বগৰী খাইছে।

প্ৰ :—অনুৰে কৈছে, "মই দৈ-চিৰা খাইছোঁ।"

প :—অনুৰে কৈছে তাই হেনো দৈ-চিৰা খাইছে।

প্ৰ :—ভিনীহিয়ে কৈছিল, "মানুহ মাত্ৰেই মৰে।"

প :—ভিনীহিয়ে কৈছিল যে মানুহ মাত্ৰেই মৰে।

প্ৰ :—ছাত্ৰই শিক্ষকক ক'লে, "মহাশয় মোক ক্ষমা কৰক।"

প :—ছাত্ৰই তেওঁক ক্ষমা কৰিবলৈ শিক্ষকক অনুৰোধ কৰিলে।

প্ৰ :—গুৰুৱে ছাত্ৰক ক'লে, "ঘৰলৈ যোৱা।"

প :—গুৰুৱে ছাত্ৰক ঘৰলৈ যাবলৈ আদেশ দিলে।

প্ৰ :—সি কৈছিল, "মই সাধুটো নেজানোঁ।"

প :—সি সাধুটো নেজানে বুলি কৈছিল।

অনুশীলন

প্ৰত্যক্ষৰ পৰা পৰোক্ষ উক্তিলৈ নিয়া —

শিক্ষকে কৈছিল, "মানুহ মৰণশীল।"

সিহঁতে কৈছিল, "আমি নেযাওঁ।"

বাইদেৱে সুধিলে, "তুমি প্ৰয়োজন পালা নে ?"

পিতাই কলে "কলেজলৈ যোৱা।"

অনিমাই কৈছে, "বাবাই এম্-এচ্ ছি পৰীক্ষা পাছ কৰিছে।"

বাচ্য (Voice)

(১) মই সাপটো দেখিছিলোঁ।
(২) মোৰ দ্বাৰা সাপটো দেখা হৈছিল।
(৩) মোৰ যোৱা হ'ব।
(৪) ৰবখুণ দিছে।

বাক্যৰ বাচ্য চাৰি প্ৰকাৰ—(১) কৰ্ত্তৃবাচ্য, (২) কৰ্ম্মবাচ্য, (৩) ভাববাচ্য আৰু (৪) কৰ্ম্ম-কৰ্ত্তৃবাচ্য।

(১) **কৰ্ত্তৃবাচ্য**—যি বাক্যত কৰ্ত্তাই প্ৰধান সেই বাক্যৰ বাচ্যৰ নাম কৰ্ত্তৃবাচ্য (Active voice)। কৰ্ত্তাত প্ৰথমা, কৰ্ম্মত দ্বিতীয়া বিভক্তি আৰু ক্ৰিয়া কৰ্ত্তা অনুসৰি হয়। যেনে—পুলিচে চোৰ ধৰিলে (পুলিশ চোর ধরিল)।

(২) **কৰ্ম্মবাচ্য**—যি বাক্যত কৰ্ম্মই প্ৰধান, সেই বাক্যৰ বাচ্যৰ নাম কৰ্ম্মবাচ্য (Passive voice)। কৰ্ত্তাত তৃতীয়া বা ষষ্ঠী, কৰ্ম্মত প্ৰথমা বিভক্তি আৰু ক্ৰিয়া কৰ্ম্ম অনুসৰি হয়। যেনে—পুলিচৰ দ্বাৰা চোৰ ধৰা হ'ল (পুলিশ কর্তৃক চোর ধৃত হইল)।

(৩) **ভাববাচ্য**—যি বাক্যত কৰ্ম্ম নাথাকে ক্ৰিয়াই প্ৰধান, সেই বাক্যৰ বাচ্যৰ নাম ভাববাচ্য। কৰ্ত্তাত ষষ্ঠী বা তৃতীয়া বিভক্তি আৰু ক্ৰিয়া তৃতীয় পুৰুষৰ হয়। যেনে—মোৰ আজি যোৱা হ'ব (আমার আজ যাওয়া হইবে)।

(৪) **কৰ্ম্ম-কৰ্ত্তৃবাচ্য**—যি বাক্যত কৰ্ত্তাৰ বিনা সহায়ত ক্ৰিয়াৰ কাৰ্য্য সম্পন্ন হয়, সেই বাক্যৰ বাচ্যৰ নাম কৰ্ম্ম-কৰ্ত্তৃবাচ্য। যেনে—আম মিঠা লাগে (আম মিষ্ট লাগে)। কিতাপ বিক্ৰী হয় (বই বিক্রী হয়)। তোমাক ধুনীয়া দেখি (তোমাকে সুন্দর দেখায়)।

বাচ্য-পৰিবৰ্ত্তন (Change of Voice)

কৰ্তৃবাচ্য	কৰ্মবাচ্য
শিক্ষকে ৰামক প্ৰশ্ন সুধিছে।	শিক্ষকৰ দ্বাৰা ৰামক প্ৰশ্ন সোধা হৈছে।
সুশান্তই কীৰ্ত্তন পঢ়িলে।	সুশান্তৰ কীৰ্ত্তন পঢ়া হ'ল।
তেওঁ চিঠি দিছিল।	তেওঁৰ দ্বাৰা চিঠি দিয়া হৈছিল।
যতীনে ঘৰটো সাজিব।	যতীনৰ দ্বাৰা ঘৰটো সজা হ'ব।

কৰ্তৃবাচ্য	ভাববাচ্য
মই ৰাতি শুব নোৱাৰিলোঁ।	মোৰ ৰাতি শোৱা নহ'ল।
গজেন্দ্ৰ ইয়াত নেথাকিব।	গজেন্দ্ৰৰ ইয়াত থকা নহ'ব।
গধূলি নৈৰ পাৰত ফুৰিম।	গধূলি নৈৰ পাৰত ফুৰা হ'ব।
আমি বহুত ঘৰলৈ যাম।	আমাৰ বহুত ঘৰলৈ যোৱা হ'ব।

অনুশীলন

(১) তলৰ বাক্যসমূহৰ বাচ্য নিৰ্ণয় কৰা :—

ইনস্পেক্টৰ মহাশয়ে ছাত্ৰক প্ৰশ্ন সুধিছে। সি দ বাটটোক মাৰিলে। কলম্বচে আমেৰিকা আৱিষ্কাৰ কৰিছিল। মধুৰ দ্বাৰা এই কাম কৰা হৈছে। ছাত্ৰসকলৰ দ্বাৰা চাকাই কাম কৰা হৈছিল। মোৰ দ্বাৰা শাস্তি দিয়া নহ'ব। দুপৰীয়া মোৰ খোৱা নহ'ল তেওঁৰ বাটলৈ যোৱা নহ'ব। বৰষুণ দিছে। গছ উফলি পৰিল। কথাটো ভাল শুনি। চাউল টকাত দুসেৰকৈ বিক্ৰী হয়। ইয়াৰপৰা ফুল দেখা নাযায়।

(২) প্ৰত্যেকবিধ বাচ্যৰ একোটাকৈ দৃষ্টান্ত দিয়া।

*লিঙ্গ (Gender)

লিঙ্গ চাৰি প্ৰকাৰ—পুংলিঙ্গ, স্ত্ৰীলিঙ্গ, উভয়লিঙ্গ আৰু ক্লীৱলিঙ্গ।

যি শব্দই পুৰুষ বুজায়, তাক পুংলিঙ্গ (Masculine Gender) বোলে। যেনে—ছাত্ৰ, ককাই।

যি শব্দই স্ত্ৰী বুজায়, তাক স্ত্ৰীলিঙ্গ (Feminine Gender) বোলে। যেনে—ছাত্ৰী, বৌ।

যি শব্দই পুৰুষ আৰু স্ত্ৰী উভয়কে বুজায়, তাক উভয়লিঙ্গ (Common Gender) বোলে। যেনে—মানুহ, সন্তান, হাতী, গৰু, হাঁহ, ঘোঁৰা, কেঁচুৱা, কুকুৰা (মোৰগ)।

যি শব্দই পুৰুষ বা স্ত্ৰী একোকে নুবুজায় (বুঝায় না), তাক ক্লীৱলিঙ্গ (Neuter Gender) বোলে। যেনে—ঘৰ, মাটি, কলি, কলম, কাপোৰ, কিতাপ।

বিভিন্ন লিঙ্গত শব্দৰ ব্যৱহাৰ :—

পুং	স্ত্ৰী	উভয়লিঙ্গ
লৰা সন্তান	কন্যা সন্তান	সন্তান
মতা ঘোঁৰা	মাইকী ঘোঁৰা	ঘোঁৰা
মতা হাঁহ	মাতী হাঁহ	হাঁহ
বলদ গৰু	গাই গৰু	গৰু
মতা কুকুৰা	মাইকী কুকুৰা	কুকুৰা
দাঁতাল	মাখুন্দী	হাতী

*লিঙ্গ শব্দের অর্থ—পুরুষ বা স্ত্রী বুঝিবার বিশেষ লক্ষণ বা চিহ্ন।

পুং		স্ত্রী	
অসমীয়া	বাংলা	অসমীয়া	বাংলা
মুনিহ	পুরুষ	তিৰোতা	স্ত্রী
গৃহস্থ	গৃহস্থ, কর্ত্তা	ঘৈণী, গৃহিণী	গিন্নী
গিৰিয়েক	স্বামী	ঘৈণীয়েক	স্ত্রী
পিতা, দেউতা, বোপাই	বাবা	মা'তা, মা, আই	মাতা, মা
দাদা, ককাই	দাদা	বৌ, নবৌ	বৌ-দিদি
আজা,ককা-দেউতা	দাদু, ঠাকুর-দাদা	আ'বু, আইতা	দিদি-মা, ঠাকুর-মা
খুৰা, দদাই	খুড়া, কাকা	খুৰী	খুড়ী, কাকী
ভাগিন	ভাগ্না ভাগ্নে	ভাগিনী	ভাগ্নী
দেওৰ	দেবর	জা ননন্দ	ননদ
জোঁৱাই	জামাই	জী	ঝি মেয়ে
ভাৰৈ	ভায়ে তালুই	আমৈ	মায়ুই
বাওনা	বামন	বামনী	বামনী
পেহা	পিসা	পেহী	পিসী
খুলশালি	শালা	খুলশালী	শালী
শহুৰ	শ্বশুর	শাহু	শাশুরী.

ককা দেউতা, আজা—ঠাকুর দাদা }
আইতা, আবু—ঠাকুর-মা } পিতামহ।

আজা—দাদামহাশয়, দাদু }
আবু—দিদি-মা } মাতামহ।

পুং		স্ত্ৰী	
অসমীয়া	বাংলা	অসমীয়া	বাংলা
ভিনীহি	ভগ্নীপতি, জামাই বাবু	বাই	দিদি
বিয়ৈ	বেয়াই	বিয়নী	বেয়ানী, বেয়ান
বোপা, ৰাপা	খোকা	আইটী	খুকী
দৰা, বৰ	বর	কন্যা	ক'নে
ল'ৰা	ছেলে	ছোৱালী	মেয়ে
দমৰা	এড়ে-বাছুর	কাঢলী	বক্না-বাছুর
ধোবা	ধোপা	ধুবুনী	ধোপানী
পাঠা	পাঁঠা	পাঠী	পাঁঠী
ঘোঁৰা	ঘোড়া	ঘুৰী	ঘুড়ী
ৰজা	রাজা	ৰাণী	রাণী
বুঢ়া	বুড়া	বুঢ়ী	বুড়ী
ভাই	—	ভনী	বোন
		ভাই-বোৱাৰী	ভাই-বৌ
পুত্ৰ	পো	কন্যা	মেয়ে ঝি
		বোৱাৰী	পুত্র-বধূ, বৌ
মামা, মোমাই	—	মামী	—
মহা	মেস ম'শায়	মাহী *	মাসী-মা

* মাহী—মাসী-মা (Maternal aunt)
মাহী-মা—বিমাতা (Step-mother)

পুং		স্ত্রী	
অসমীয়া	বাংলা	অসমীয়া	বাংলা
যুৱক ডেকা	যুবক	যুৱতী, গাভৰু	যুবতী
পগলা	পাগ্‌লা	পাগলী	--
কাউৰ কোৱা	কাক	কাউৰী	—
বৰলা	বিপত্নীক	বাঁৰী, বিধবা	—
গোঁসাই	—	গোঁসানী	মা-গোঁসাই
গোলাম	-	বান্দী	বাঁদী
টেঙৰ	চালাক	টেঙৰী	—
কলা	কালা (deaf)	কালৰী	—
অজলা	নির্বোধ	আজলী	—

শব্দার্থ :—জেঠাৰ পুতেক ভাই—জ্যাঠ্‌তুতো ভাই, খুৰাৰ পুতেক ভাই—খুড়তুতো ভাই, মহাৰ পুতেক ভাই—মাস্‌তুতো ভাই, মামাৰ পুতেক ভাই—মামাতো ভাই, পেহাৰ পুতেক ভাই—পিস্‌তুতো ভাই। জেঠেৰি, বৰপিৰী—সপত্নী বৈনাই—ভগ্নীপতি, শালপতি—ভাইৰাভাই।

পুং	স্ত্ৰী	পুং	স্ত্ৰী
জেঠা	জেঠী	গুণৱান	গুণৱতী
নাতি	নাতিনী	বুদ্ধিমান	বুদ্ধিমতী
মিত্ৰ, মিতা	মিতিনী	সুন্দৰ	সুন্দৰী
চাকৰ	চাকৰানী	বিদ্বান	বিদুষী
সৎ	সতী	বগা (সাদা)	বগী
ধাতা	ধাত্ৰী	ৰঙা (লাল)	ৰাঙী
নেতা	নেত্ৰী	ক'লা (কাল)	ক'লী
চোৰ	চুৰুণী	কঁজলা	কাঁজলী
মালী	মালিনী	মৃগ	মৃগী
নদ	নদী	সিংহ	সিংহী
দেৱ	দেৱী	হাঁহ	হাঁহিনী, হাঁহিণী
নৰ	নাৰী	হৰিণ	হৰিনী
সাধু	সাধ্বী	বন্ধু	বান্ধৱী
গৰাকী	গৰাকিনী	শিক্ষক	শিক্ষয়িত্ৰী
সভাপতি	সভানেত্ৰী	সখি	সখী

অনুবাদ

বাংলা	অসমীয়া
ছেলেটি ইহার ভাই।	লৰাটো এখেতৰ ভায়েক।
লোকটি অতি গরীব।	মানুহজন অতি দুখীয়া।
বালিকাটি আমার ভগ্নী।	ছোৱালীজনী মোৰ ভগিনী।

বাংলা	অসমীয়া
বৌদি জল আনিতে গিয়াছেন।	বৌ পানী আনিবলৈ গৈছে।
হাঁসগুলি জলে সাঁতার কাটিতেছে।	হাঁহবোব পানীত চবিছে।
প্রভাতে মোরগ ডাকে।	বাতিপুৱা কুকুৰাই মাতে।
তাহার স্বামী বিদেশে থাকেন।	তাইব গিবিয়েক বিদেশত থাকে।
পাগলটা রাস্তায় রাস্তায় ঘুরিতেছে।	পগলাটোৱে বাটে বাটে ঘূবিছে।
তাহার বৌ মারা গিয়াছে।	তাব ঘৈণীয়েক ঢুকাইছে।
দিদি-মা আমাকে ভাল বাসেন।	আবুই মোক ভাল পায়।
ঠাকুর-দাদা গৌহাটী যাইবেন।	আতা গুৱাহাটীলৈ যাব।
ঠাকুর-মা আমাকে নিয়া যাইবেন।	আবুই মোক লৈ যাব।
বাবা রাত্রিতে আসিতে পারেন।	পিতা বাতি আহিব পাবে।
ঘরের ভিতরে ইঁদুর আছে।	ঘবব ভিতবত এন্দুব আছে।

অনুশীলন

(১) বিপবীত লিঙ্গ কোৱ :—পিতা, ভিনীহি, বজা, ডেকা, বলদ পাঠক বুঢ়া, বামুনি, শহব, সম্পাদিকা চাকব কুমাবী, সেৱিকা দাদা, আবু।

(২) উভয় লিঙ্গ আব ক্লীৱ লিঙ্গব পাঁচোটাকৈ দৃষ্টান্ত দিয়া।

(৩) খালী ঠাই পূৰ্ণ কবা —

তেখেত — শিক্ষক। হাই — তিবোতা। তাত — কিতাপ আছে। তেওঁব — নাই। সীতাব — নাই। তেওঁ — সখি। তুমি — বজা। আপুনি — খাওক। অৰুণ — গৈছে। — কা-কা কবিছে। চৌকিদাবব — আহিছে।

সান-মিহলি বাক্যৰ অনুবাদ (Miscellaneous)

বাংলা	অসমীয়া
শিক্ষককে প্রণাম করা উচিত।	শিক্ষকক প্রণাম কৰা উচিত।
বিশুদ্ধ জল পান করা উচিত।	বিশুদ্ধ পানী খোৱা উচিত।
তাদের মধ্যে কে বড় ?	সিহঁতৰ ভিতৰত কোন ডাঙৰ ?
অখিল সবচেয়ে বড়।	অখিল সকলোতকৈ ডাঙৰ।
তাহাদের দুইজনের মধ্যে কে ছোট ?	সিহঁত দুজনৰ ভিতৰত কোন সৰু ?
হরেণ অপেক্ষা প্রফুল্ল ছোট।	হৰেণতকৈ প্রফুল্ল সৰু।
শ্রেণীর ভিতরে ঝগড়া করিও না।	শ্রেণীৰ ভিতৰত কাজিয়া নকৰিবা।
একটু সময় বিশ্রাম লও।	অলপ সময় জিৰণি লোৱা।
বঙ্গালী স্ত্রীলোকেরা মেখেলা পরেন না।	বঙালী তিৰোতাই মেখেলা নিপিন্ধে।
মিথ্যাবাদীকে কেহ ভাল বাসে না।	মিছলীয়াক কেৱে ভাল নেপায়।
এই দোকোনে চা পাওয়া যায়।	এই দোকানত চাহ পোৱা যায়।
ইহার মিষ্টিগুলো মন্দ নয়।	ইয়াৰ মিঠাইবোৰ বেয়া নহয়।
বাড়ীর পিছনদিকে ফসল হয়।	ঘৰৰ পিছফালে খেতি হয়।
কবুতরের মাংস সকলের প্রিয়।	পাৰৰ মঙহ সকলোৰে প্রিয়।
মরিচগুলি বাহির কর।	জলকীয়াবোৰ বাছি উলিওৱা।
বাসায় সর্ব্বদা একাই থাকি।	ঘৰত সদায় অকলেই থাকোঁ।
তিনি আমার নিকট টাকা পান।	তেখেতে মোৰ ওচৰত টকা পায়।
তাহার অসুখ হয় নাই।	তাইৰ অসুখ হোৱা নাই।
গোয়ালা দুধ লইয়া আসিয়াছে।	গোৱালে গাখীৰ লৈ আহিছে।
রাস্তায় কাদা হইয়াছে।	আলিবাটত বোকা হৈছে।

বাংলা	অসমীয়া
মেয়েরা আয়না চিরুণী লইয়া ব্যস্ত।	ছোৱালীবিলাক আইনা ফণিলৈয়ে ব্যস্ত।
হলুদ পিসিয়া চূর্ণ করিবে।	হালধি পিহি গুৰি কৰিবা।
সে আসিবার পূর্বে আমি যাইব।	সি অহাৰ আগতে মই যাম।
শিক্ষক বলিয়াছেন, "বরফ ঠাণ্ডা"।	শিক্ষকে কৈছে, "বৰফ চেঁচা।"
শিক্ষক বলিয়াছেন যে বরফ ঠাণ্ডা।	শিক্ষকে কৈছে যে বৰফ চেঁচা।
তিনি মন্ত্রী হইয়া টাকা বিতরণ করিতেছেন।	তেখেতে মন্ত্ৰী হৈ টকা বিলাইছে।
তুমি যাওয়ার পর সে মারা গেল।	তুমি যোৱাৰ পিছত সি মৰিল।
সে দুই ঘণ্টা যাবৎ সাঁতার কাটিতেছে।	সি দুঘণ্টা ধৰি সাঁতুৰিছে।
এই গরীব লোকটি ক্ষুধার্ত্ত।	এই দুখীয়া মানুহজন ভোকাতুৰ।
দুঃখের বিষয়, আমি যাইতে পারিলাম না।	দুখৰ বিষয়, মই যাব নোৱাৰিলোঁ।
আমি বৈশাখ হইতে কার্ত্তিক পর্য্যন্ত বাড়ীতে ছিলাম না।	মই বহাগৰপৰা কাতিলৈ ঘৰত নাছিলোঁ।
যদি সে খেলে আমিও খেলিব।	যদি সি খেলে, ময়ো খেলিম।
কাকা আসিলে আমি যাইতে পারি।	খুৰা আহিলে মই যাব পাৰোঁ।
যদি তুমি আইস, আমরা যাইব।	যদি তুমি আহা, আমি যাম।
সঙ্গী না হইলে তুমি কিরূপে যাইবে?	লগ নহলে তুমি কেনেকৈ যাবা?
তাহাকে অনিল বলিয়া সবাই ডাকে।	তাক অনিল বুলি সকলোৱে মাতে।
তুমি কি আবার আসিবে?	তুমি আকৌ আহিবা নেকি?
১৭ই তারিখে সে বাড়ী পৌঁছিবে।	১৭ তাৰিখে সি ঘৰ পাবহি।
বইগুলি উল্টা-পাল্টা করিও না।	কিতাপবোৰ ওলট-পালট নকৰিবা।

বাংলা	অসমীয়া
আজ কত তারিখ ?	আজি কিমান তাৰিখ ?
জমীর মূল্য বৃদ্ধি পাইয়াছে।	মাটিৰ মূল্য বাঢ়িছে।
কত লোক উপস্থিত ছিল ?	কিমান মানুহ উপস্থিত আছিল ?
ফাইল্‌টা খুঁজিয়া বাহির কর।	ফাইল্‌টো বিচাৰি উলিওৱা।
বিভা ভাত খাইয়াছিল।	বিভাই ভাত খাইছিল।
পুলিশ চোর ধরিল।	পুলিচে চোৰ ধৰিলে।
সে বাজার যাইবে।	সি বজাৰলৈ যাব।
বিভার ভাত খাওয়া হইয়াছিল।	বিভাৰ ভাত খোৱা হৈছিল।
পুলিশ কর্ত্তৃক চোর ধৃত হইল।	পুলিচৰ দ্বাৰা চোৰ ধৰা হ'ল।
তাহার বাজার যাওয়া হইবে।	তাৰ বজাৰলৈ যোৱা হব।
চিনি মিষ্ট লাগে।	চেনি মিঠা লাগে।
তুমি আসিতে দেরী করিবে না।	তুমি আহোঁতে পলম নকৰিবা।
ইহার পর তুই কি করিবি ?	ইয়াৰ পিচত তই কি কৰিবি ?
রাত্রে একটি স্বপ্ন দেখিয়াছি।	ৰাতি এটা সপোন দেখিছোঁ।
বালিশের ওয়াড়টা মলিন হইয়াছে।	গাৰুৰ ৱাৰটো লেতেৰা হৈছে।
সে অসুস্থ, অতএব যত্ন লইবে।	সি অসুস্থ, এতেকে যত্ন লবা।
বন্যা হইয়াছে, সেইজন্য গেলাম না।	বানবানী হৈছে, সেইবাবে নগলোঁ।
উষ্ণ জল দিয়া স্নান করা উচিত।	তপত পানীৰে গা ধোৱা উচিত।
আমি মনেকরি তোমার অবস্থা ভাল নয়।	মই ভাবোঁ, তোমাৰ অৱস্থা ভাল নহয়।
তোমাদের পরীক্ষা কবে হইবে ?	তোমালোকৰ পৰীক্ষা কেতিয়া হব ?
ফেব্রুয়ারী মাসের শেষে পরীক্ষা হইবে।	ফেব্ৰুৱাৰী মাহৰ শেষত পৰীক্ষা হব।

বাংলা	অসমীয়া
তুমি এখানে কেন আসিয়াছ ?	তুমি ইয়ালৈ কিয় আহিছা ?
আমি এখানে কয়েক দিন থাকিব।	মই ইয়াত কেবাদিনো থাকিম।
তিনি আমাদিগকে স্নেহ করেন।	তেখেতে আমাক মৰম কৰে।
আমি এখানে বসিতে চাই।	মই ইয়াত বহিব খোজোঁ।
সে কি তোমার আপন ভাই ?	সি তোমাৰ নিজা ভায়েৰা নেকি ?
না, সে আমার মাসতুতো ভাই।	নহয়, সি মোৰ মাহীৰ পুতেক ভাই।
সে কি তোমার বোন ?	তাই তোমাৰ ভনীয়েৰা নেকি ?
হাঁ, সে আমার বোন।	হয়, তাই মোৰ ভনী।
তুমি সুখী হও।	তুমি সুখী হোৱা।
রাষ্ট্রপতি দীর্ঘজীবী হউন।	ৰাষ্ট্ৰপতি দীৰ্ঘজীৱী হওক।
এখন ছয়টা বাজিয়াছে।	এতিয়া ছয়টা বাজিছে।
তিনি রোজ প্রার্থনা করেন।	তেখেতে নিতৌ প্ৰাৰ্থনা কৰে।১
কামাল এবং কুণাল এখানে থাকে।	কামাল আৰু কুণাল ইয়াত থাকে।২
তিনি বলিলেন যে গুরুবাক্য মানিতে হয়।	তেখেতে ক'লে যে গুৰুৰ কথা মানিব লাগে।৩

অসমীয়া ভাষাৰ জতুৱা ঠাঁচ (Idioms)

প্ৰত্যেক ভাষাৰে একোটা স্বকীয় ৰীতি বা ঠাঁচ আছে। ইয়াকে সেই ভাষাৰ জতুৱা ঠাঁচ বোলে।

গাঁতৰ এন্দুৰ—অজ্ঞ মানুহ,   কাণ কটা—নিলাজ

গঠনভেদে বাক্য তিনি প্ৰকাৰ—(১) সৰল বাক্য, (২) যৌগিক বাক্য। (৩) মিশ্ৰ বা জটিল বাক্য।

চকুৰ কুটা—শত্রু
চকুচৰহা—পৰশ্ৰীকাতৰ
যাউতিযুগীয়া—চিৰস্থায়ী
হাট দীঘল—ক্ষমতাশালী
মাটিৰ মানুহ—সৰল
ধোদৰ পচলা—এলেহুৱা, অকামিলা
নেগুৰকটা শিয়াল—বৰ দুষ্ট মানুহ
গাখীৰতে ম'হৰ খুটি—সুখৰ উপৰি সুখ
কাণে কাণ মাৰি—কোনোমতে
খাই পাত ফলা—উপকাৰ অস্বীকাৰ কৰা
টুপাই বুৰ মৰা—অস্বীকাৰ কৰা মিছা মাতা
বিধি পথালি দিয়া—কামত বাধা দিয়া
ভলাৰ বগৰী—ঘনাই ঠাই সলাই থকা মানুহ (অস্থিৰ)
হোলাৰ ভাই মোলা—নিচেই সৰল মানুহ
জয়ে জয়ে—প্ৰথমে
পানী হ, মাটি হ—নষ্ট হ
চকু মুদ—মৰ
কঁকাল পৰ—দুৰ্ব্বল হ
কাণ কৰ—মন দি শুন
হাড় খো—সম্বন্ধ এৰি দিয়া
পেট ল—মনৰ ভাব ল
কপাল ফুল—সৌভাগ্য উপস্থিত হ
কপাল ফুট- দুৰ্ভাগ্য উপস্থিত হ

বিভিন্ন বিশেষ্যৰ লগত জতুৱা ঠাঁচৰ ক্রিয়া

কথা কয়
মাত মাতে
জুই পুৰায়
জুই ধৰে
জাৰ পলায়
জহ গায়,
ব'দ দিয়ে, ব'দ ওলায়
খোজ কাঢে
খৰি ফালে, খৰি ছিৰে
খং উঠে
খং কৰে
কাজিয়া কৰে
কঠিয়া পাৰে
কুকুৰে কামোৰে
ধান বানে
চাউল কাৰে
চিৰা খুন্দে
চাকি লগায়
চুৰ কৰে
ধান সিচে
ভুঁই বোৱে
ভয় কৰে, ভয় লাগে

নাম ধৰে
জাৰ লাগে
পিয়াহ লাগে
গৰম লাগে
টোপনি মাৰে
পাত ধৰে, পাত ওলায়
আঠু কাৰে
সেৱা কৰে
হাঁহ, পাৰ পোহে
বজাৰ কৰে
দোকান দিয়ে
গছ বোৱে
জাল বায়
লতা বগায়
গুটি সৰে
পোহৰ দিয়ে
হাঁহি মাৰে
হমুনিয়াহ কাঢে বা ছাকে
বাতি পুৰায়
চপৰ হয়
ফুল তোলে
সঁচা কয়

ভাত বাঢে	সৈ কাঢে
ভোক লাগে	হাল জোৰে
ভোক পলায়, ভোক গুচে	হাল মেলে
বৰশী বায়	আঠুৱা তৰে, আঠুৱা টনে
বতাহ বলে	মছলা বটে
বৰষুণ দিয়ে	ফাঁকি দিয়ে
ধুমুহা মাৰে	ভয় কৰে
শাক কুটে	ভয় লাগে
মাছ বাছে	ঠেহ পাতে
শাক তোলে	ছুৱাৰ মেলে

বাক্য ৰচনা

পানী উতলে—পানী উতলিছে।

খং উঠে—তেওঁৰ খং উঠিছে।

কথা পাতে—তেওঁলোকে ঘৰুৱা কথা পাতিছে।

গহণা গঢ়ে—সোণাৰীয়ে গহণা গঢ়িছে।

গাখীৰ পগায়—খুৰীদেৱে গাখীৰ পগাইছে।

সেওঁতা ফালে—ভনীটিয়ে সেওঁতা ফালিছে।

ধুন-পেঁচ্ মাৰে—অজুৱে ধুন্‌পেঁচ্ মাৰি ফুৰে।

মূৰ ফণিয়ায়—ভাই বাভিপুৱাই মূৰ ফণিয়ায়।

চাকি লগায়—চাকিটো লগোৱা।

জুই ধৰে—চাহ কৰিবলৈ জুই ধৰাচোন।

কাজিয়া কৰে—কাৰো লগত কাজিয়া নকৰিবা।

নাম কাঢ়ে—ভাওৰক নাম কাঢ়ি নেমাতিবা।

সেক দিয়ে—তেওঁ গালত সেক দিছে।

হাল মেলে—খেতিয়কে হাল মেলিলে।

মদ্ পিয়ে—মোক বাতি মদ্ পিলে।

গছ বোৱে—অশোকে আলিৰ দাঁতিত গছ ৰুৱাইছিল।

সখী বান্ধে মই তেওঁৰ লগত সখী বান্ধিছোঁ।

ঠেহ পাতে—বীণাই ঠেহ পাতিছে।

গাড়ী বয়—লামডিঙত আদ ঘণ্টা গাড়ী বয়।

কাপোৰ বয়—অসমীয়া তিৰোতাই কাপোৰ বয়।

অনুশীলন

বাক্য সাজা :—

পিয়াহ লাগে, চাকি লগায়, কথা কয় হাঁহি মাৰে ফাঁকি দিয়ে, ধান বানে, কল ধৰে, খৰি ফালে, পানী উতলায়, ঈশ্বৰৰ নাম লয়, ৰং পায়।

ণত্ব-বিধি

(১) ঋ, ৰ, ষ—এই তিনি বৰ্ণৰ পাচত ণ হয়। যেনে—ঋণ, তৃণ, পূৰ্ণ, জীৰ্ণ, কৃষ্ণ, বিষ্ণু।

(২) ঋ, ৰ, ষ—বৰ্ণৰ পাচত স্বৰবৰ্ণ, ক আৰু প-বৰ্গৰ আখৰ, য, ৱ, হ থাকিলে, ণ হয়। যেনে—কৃপণ, হৰণ, ব্ৰাহ্মণ, অৰ্পণ, পাষাণ, গ্ৰহণ, নিৰ্ম্মাণ।

(৩) ট-বৰ্গৰ আখৰৰ লগত ণ বহে। যেনে—কণ্টক, কণ্ঠ, দণ্ড।

(৪) প্ৰ, পৰা, নিৰ্, পৰি উপসৰ্গৰ পাচত থকা নম্ আৰু নী ধাতুৰ দন্ত্য ন মূৰ্দ্ধন্য ণ হয়। যেনে—প্ৰণাম, নিৰ্ণয়, পৰিণাম।

(৫) কিছুমান শব্দত স্বাভাৱিকতে ণ হয়। যেনে—কণ, গুণ গৌণ, চিকুণ, পাণি, পুণ্য, বীণা, মণি, বাণিজ্য।

(৬) বিদেশী শব্দত ণ নহয়। যেনে—কোৰান।

(৭) স্ত্ৰী প্ৰত্যয়ত ণ নহয়। যেনে—কুমাৰনী, কমাৰনী।

ষত্ব-বিধি

(১) অ, আ ভিন্ন স্বৰবৰ্ণ ক, ৰ বৰ্ণৰ পাচত থকা প্ৰত্যয়ৰ দন্ত্য স মূৰ্দ্ধন্য ষ হয়। যেনে—ভবিষ্যৎ, মোক্ষ, মুমূৰ্ষু, শুশ্ৰূষা, উৎকৃষ্ট, হিতৈষী, শ্ৰীচৰণেষু।

(২) নি, বি, অধি, অপি, অতি, পৰি, প্ৰতি অনু, সু—উপসৰ্গৰ পাচত থকা ধাতুৰ দন্ত্য স প্ৰায়ে মূৰ্দ্ধন্য ষ হয়। যেনে—নিষেধ, বিষাদ, প্ৰতিষ্ঠা, অনুষ্ঠান, পৰিষ্কাৰ।

(৩) ট আৰু ঠ বৰ্ণৰ লগত ষ হয়। যেনে—স্পষ্ট, ষষ্ঠ।

(৪) কিছুমান শব্দত স্বাভাৱিকতে ষ হয়। যেনে—ঊষা, ঈৰ্ষা, ঔষধ, কোষ, গ্ৰীষ্ম, দোষ, ঘোষণা, পাষাণ, বিষ, পুৰুষ, বৰ্ষা, বিশেষ, ভাষা, ভূষণ, বিষয়।

সন্ধি (Sandhis)

বিদ্যা + আলয় = বিদ্যালয়

দিক্ + অন্ত = দিগন্ত

সৎ + জন = সজ্জন

নিঃ + মূল = নির্মূল*

ওচৰা-ওচৰি অৱস্থিত দুই বৰ্ণৰ মিলনক সন্ধি বোলে। সন্ধি দুই প্ৰকাৰ—স্বৰ-সন্ধি আৰু ব্যঞ্জন-সন্ধি।

স্বৰ-সন্ধি

স্বৰবৰ্ণে স্বৰবৰ্ণে মিলি যি সন্ধি হয়, তাক স্বৰ-সন্ধি বোলে। যেনে—

অ + অ = আ	হিম + অচল = হিমাচল
অ + আ = আ	দেৱ + আলয় = দেৱালয়
আ + অ = আ,	মহা + অৰ্ঘ = মহাৰ্ঘ
আ + আ = আ,	বিদ্যা + আলয় = বিদ্যালয়
ই + ই = ঈ	মুনি + ইন্দ্ৰ = মুনীন্দ্ৰ
ই + ঈ = ঈ,	গিৰি + ঈশ = গিৰীশ
ঈ + ই = ঈ,	ৰথী + ইন্দ্ৰ = ৰথীন্দ্ৰ

পাশা-পাশি অবস্থিত দুই বর্ণের যে মিলন, তাহারই নাম সন্ধি। প্রথম শব্দের শেষ বর্ণ এবং দ্বিতীয় শব্দের আদি বর্ণ যুক্ত হইয়া সন্ধি হয়। যথা—
হ্+ই+ম্+অ+আ+ল্+অ+য়=হিমালয়।

* এই প্রকার সন্ধির নাম বিসর্গ-সন্ধি, ব্যঞ্জন-সন্ধির অন্তর্গত।

ঈ + ঈ = ঈ,	সতী + ঈশ = সতীশ
উ + উ = ঊ,	কটু + উক্তি = কটূক্তি
ঊ + উ = ঊ,	বধূ + উৎসৱ = বধূৎসৱ
অ + ই = এ,	দেৱ + ইন্দ্ৰ = দেৱেন্দ্ৰ
অ + ঈ = এ,	দেৱ + ঈশ = দেৱেশ
আ + ই = এ	মহা + ইন্দ্ৰ = মহেন্দ্ৰ
আ + ঈ = এ,	ৰমা + ঈশ = ৰমেশ
অ + উ = ও,	নীল + উৎপল = নীলোৎপল
অ + ঊ = ও,	এক + ঊন = একোন
আ + উ = ও,	মহা + উৎসৱ = মহোৎসৱ
অ + ঋ = অৰ,	দেৱ + ঋষি = দেৱৰ্ষি
আ + ঋ = আৰ্,	মহা + ঋষি = মহৰ্ষি
অ + এ = ঐ,	জন + এক = জনৈক
আ + এ = ঐ,	তথা + এব = তথৈব
অ + ঐ = ঐ,	হিত + ঐষী = হিতৈষী
আ + ঐ = ঐ,	মহা + ঐশ্বৰ্য্য = মহৈশ্বৰ্য্য
অ + ঔ = ঔ,	উত্তম + ঔষধ = উত্তমৌষধ
আ + ঔ = ঔ,	মহা + ঔষধ = মহৌষধ

ই, ঈ ভিন্ন স্বৰবৰ্ণ পাচত থাকিলে, আগৰ শব্দৰ ই, ঈ বৰ্ণৰ ঠাইত য্ হয়। যেনে—অতি + অন্ত = অত্যন্ত, ইতি + আদি = ইত্যাদি।

প্ৰতি + এক = প্ৰত্যেক, প্ৰতি + উপকাৰ = প্ৰত্যুপকাৰ।

পাচৰ শব্দত উ ঊ ভিন্ন স্বৰবৰ্ণ থাকিলে, আগৰ শব্দৰ উ, ঊ বৰ্ণৰ ঠাইত ৱ্ হয়। যেনে—অনু + এষণ = অন্বেষণ, সু + আগত = স্বাগত।

পাচৰ শব্দত ঋ, ৠ ভিন্ন স্বৰবৰ্ণ থাকিলে, আগৰ শব্দৰ ঋ, ৠ বৰ্ণৰ ঠাইত ৰ্ হয়। যেনে— পিতৃ + আলয় = পিত্ৰালয়।

পাচৰ শব্দত স্বৰবৰ্ণ থাকিলে, আগৰ শব্দৰ এ-কাৰৰ ঠাইত অয়, ঐ-কাৰৰ ঠাইত আয়, ও-কাৰৰ ঠাইত অৱ্, ঔ-কাৰৰ ঠাইত আৱ্ হয়। যেনে— নে + অন = নয়ন, নৈ + অক = নায়ক, পো + অন = পৱন, নৌ + ইক = নাৱিক।

নিপাতনে সিদ্ধ :—

গো + ইন্দ্ৰ = গবেন্দ্ৰ, প্ৰ + ঊঢ = প্ৰৌঢ,

গো + অক্ষ = গবাক্ষ, অক্ষ + ঊহিণী = অক্ষৌহিণী।

ব্যঞ্জন-সন্ধি

ব্যঞ্জনবৰ্ণে ব্যঞ্জনবৰ্ণে বা স্বৰবৰ্ণে ব্যঞ্জনবৰ্ণে মিলি যি সন্ধি হয়, তাক ব্যঞ্জন-সন্ধি বোলে। যেনে—

জগৎ + ঈশ = জগদীশ	ষট্ + আনন = ষড়ানন
জগৎ + নাথ = জগন্নাথ	চিৎ + ময় = চিন্ময়
উৎ + হৃত = উদ্ধৃত	উৎ + হাৰ = উদ্ধাৰ
উৎ + লেখ = উল্লেখ	উৎ + চাৰণ = উচ্চাৰণ
যজ্ + ন = যজ্ঞ	ৰাজ্ + নী = ৰাজ্ঞী

উৎকৃষ্ + ত = উৎকৃষ্ট

বি + ছেদ = বিচ্ছেদ

সম্ + যোগ = সংযোগ

হিন্ + সা = হিংসা

নিঃ + চয় = নিশ্চয়

ততঃ + অধিক = ততোধিক

দুঃ + গতি = দুৰ্গতি

নিঃ + ৰোগ = নিৰোগ

দুঃ + প্ৰাপ্য = দুষ্প্ৰাপ্য

ষষ্ + ঠ = ষষ্ঠ

আ + ছাদন = আচ্ছাদন

সম্ + বাদ = সংবাদ

সিন্ + হ = সিংহ

নিঃ + তাৰ = নিস্তাৰ

মনঃ + যোগ = মনোযোগ

অন্তঃ + গত = অন্তৰ্গত

নিঃ + ফল = নিষ্ফল

নিঃ + কাম = নিষ্কাম

নিপাতনে সিদ্ধ :—

নমঃ + কাৰ = নমস্কাৰ

পৰঃ + পৰ = পৰস্পৰ

পুৰঃ + কাৰ = পুৰস্কাৰ

ষট্ + দশ = ষোড়শ

অনুশীলন

সন্ধিক বিসন্ধি আৰু বিসন্ধিক সন্ধি কৰা :—

বিদ্যালয়, দেৱেন্দ্ৰ, মুনীন্দ্ৰ মহৰ্ষি, স্বাগত নাবিক, উল্লেখ, নিশ্চয় ; দেৱ+আলয়, দীন+ঈশ, তদ্+অংশ, বিচাৰ+আলয়, যথা+অৰ্থ, কাৰা+আগাৰ, ৰবি+ইন্দ্ৰ, গিৰি+ঈশ, উৎ+হাৰ নিঃ+ফল, ষড্+ন, বি+ছেদ, উৎ+শৃঙ্খল।

সন্ধিৰ সংজ্ঞাগুলি উভয় ভাষাৰ প্ৰায় একেৰকম

সমাস

সুখ আৰু দুখ—সুখদুখ

বীণা আছে পাণিত যাৰ—বীণাপাণি

অস্ত্ৰৰ দ্বাৰা আঘাত—অস্ত্ৰাঘাত

পুণ্য যি কথা—পুণ্যকথা

নৱ ৰসৰ সমাহাৰ—নৱৰস

ঘৰে ঘৰে—প্ৰতিঘৰ

পৰস্পৰ সম্বন্ধ থকা দুটা বা অধিক পদ লগ লাগি অৰ্থ প্ৰকাশক এটা পদ হোৱাকে সমাস বোলে।

সমাসত পূৰ্ব্ব পদৰ বিভক্তি লোপ হয়, নতুন গঠিত পদটোত বিভক্তি যোগ হয়। যিবিলাক পদৰ সমাস হয়, সিহঁতক সমস্যমান পদ বোলে। নতুন গঠিত পদটোক সমস্ত পদ বোলে। সমাস ভাঙি বুজাই দিবলৈ যি বাক্য ব্যৱহাৰ কৰা হয়, তাক ব্যাসবাক্য বা সমাস বাক্য বোলে। যেনে—

ব্যাস বাক্য—বীণা আছে পাণিত যাৰ।

সমস্যমান পদ—বীণা, পাণি।

সমস্ত পদ—বীণাপাণি।

সমাস প্ৰধানকৈ ছয় বিধ—দ্বন্দ্ব, বহুব্ৰীহি, তৎপুৰুষ, কৰ্ম্মধাৰয়, দ্বিগু আৰু অব্যয়ীভাৱ।

দ্বন্দ্ব সমাস

সমাস হোৱা পদ কেইটাৰ অৰ্থ প্ৰধানকৈ বুজালে, দ্বন্দ্ব সমাস হয়। যেনে—

দিন আৰু ৰাতি—দিনৰাতি (দিন-রাত)
পাণ আৰু তামোল—পাণতামোল (পাণ-সুপারি)
জী আৰু জোঁৱাই—জীজোঁৱাই (মেয়ে-জামাই)
ভাত আৰু কাপোৰ—ভাতকাপোৰ (ভাত-কাপড)
আই আৰু বোপাই—আইবোপাই (মা-বাপ)
মহ আৰু মাখি—মহমাখি (মশা-মাছি)
অহা আৰু যোৱা—অহা-যোৱা (আসা-যাওয়া)
লিখা আৰু পঢ়া—লিখা-পঢ়া (লেখা-পড়া)
লাভ আৰু লোকচান—লাভ-লোকচান
দাইল আৰু ভাত—দাইল-ভাত
চালাক আৰু চতুৰ—চালাক-চতুৰ
ৰাম, হৰি আৰু মধু—ৰামহঁত

বহুব্ৰীহি

সমাসত ব্যৱহৃত পদবোৰৰ অৰ্থ নুবুজাই আন এটা অৰ্থ বিশেষকৈ বুজালে, বহুব্ৰীহি সমাস হয়। যেনে—

পীত অম্বৰ যাৰ—পীতাম্বৰ (শ্ৰীকৃষ্ণ)
কটা নেজ যাৰ—নেজকটা, নাই বুদ্ধি যাৰ—অবুদ্ধ
মহৎ আশয় যাৰ—মহাশয়, ঘৰত ৰাখে যি জোঁৱাই—ঘৰজোঁৱাই
হাত দীঘল যাৰ—হাতদীঘল, হাতে হাতে ধৰি যি যুঁজ—হতাহতি

তৎপুৰুষ

তৎপুৰুষ সমাসত আগৰ পদৰ বিভক্তি লোপ হয় আৰু শেষৰ পদৰ অৰ্থ প্ৰধানকৈ বুজায়। যেনে—

স্বৰ্গক প্ৰাপ্ত– স্বৰ্গপ্ৰাপ্ত

হাতেৰে সজা—হাতেসজা

দেৱক দত্ত—দেৱদত্ত

ঋণৰপৰা মুক্ত— ঋণমুক্ত

ধানৰ খেতি—ধানখেতি

গছত পকা—গছপকা

নঞ্ তৎপুৰুষ

ন+ইচ্ছা—অনিচ্ছা ন+হিত—অহিত, ন+উচিত—অনুচিত, ন+আচাৰ—অনাচাৰ, ন+গণ্য— নগণ্য, ন+চৰকাৰী—বেচৰকাৰী

উপপদ তৎপুৰুষ

নিশা চৰে যি—নিশাচৰ, জলত চৰে যি—জলচৰ

কৰ্ম্মধাৰয় সমাস

বিশেষণ আৰু বিশেষ্য পদৰ যি সমাস হয়, তাক কৰ্ম্মধাৰয় সমাস বোলে। যেনে—বঙা যি ফুল—বঙাফুল, কু যি পুৰুষ—কাপুৰুষ

উপমিত কৰ্ম্মধাৰয়

মুখ চন্দ্ৰৰ নিচিনা—মুখচন্দ্ৰ

গৰুৰ নিচিনা মূৰ্খ—গৰুমূৰ্খ

ৰূপক কৰ্ম্মধাৰয়

চন্দ্ৰ ৰূপ মুখ—চন্দ্ৰমুখ
বিদ্যা ৰূপ ধন—বিদ্যাধন

মধ্যপদলোপী কৰ্ম্মধাৰয়

পাৰস্য নামক দেশ—পাৰস্যদেশ
ঘৃত মিশ্ৰিত অন্ন—ঘৃতান্ন
বনত খোৱা ভোজ—বনভোজ

দ্বিগু সমাস

সংখ্যাবাচক শব্দৰ যোগত হোৱা সমাসক দ্বিগু সমাস বোলে। যেনে—

নব ৰত্নৰ সমাহাৰ—নৱৰত্ন
দুই মাহৰ সমাহাৰ—দোমাহী
ত্ৰি ফলৰ সমাহাৰ—ত্ৰিফলা

অব্যয়ীভাব সমাস

অব্যয়ৰে সৈতে যি সমাস হয়, তাক অব্যয়ীভাৱ সমাস বোলে। যেনে—

কূলৰ সমীপ—উপকূল
দয়াৰ অভাৱ—নিৰ্দ্দয়
জীৱন পৰ্য্যন্ত—আজীৱন
শক্তিক অতিক্ৰম নকৰি—যথাশক্তি

অনুশীলন

(১) ব্যাস বাক্যৰে সৈতে সমাসৰ নাম লিখা :—

নীলাম্বৰ, বীণাপাণি, ধানচাউল ঘিউভাত, অজ্ঞান, বিদ্যাহীন, অন্যচিত্ত, মহাপুৰুষ, কাপুৰুষ, চন্দ্ৰমুখ গজমূৰ্খ দোমাহী, নৱৰত্ন, নৱবন, উপবন, নিৰ্ভয়, আজীৱন।

(২) তলৰ ব্যাস বাক্যবোৰৰ সমস্ত পদ কৰা আৰু সমাসৰ নাম কোৱা :—

মহৎ আশয় যাৰ, মহিলাৰ সমিতি, দয়া যি গুণ, ভিক্ষাৰ অভাৱ, আম আৰু কঁঠাল, ত্ৰি জগতৰ সমাহাৰ, আৰৱ নামক দেশ।

প্ৰত্যয় (Derivatives)

শব্দ আৰু ধাতুৰ মূলক প্ৰকৃতি বোলে। প্ৰকৃতিৰ লগত বিভিন্ন অৰ্থত কিছুমান নিৰৰ্থক বৰ্ণ বা বৰ্ণসমষ্টি যোগ দিয়া হয়, সিহঁতক প্ৰত্যয় বোলে। প্ৰত্যয়ৰ যোগত নতুন শব্দ গঠিত হয়।

প্ৰত্যয় থাইকৈ চাৰি বিধ—বিভক্তি, কৃৎ প্ৰত্যয়, তদ্ধিত প্ৰত্যয় আৰু স্ত্ৰী প্ৰত্যয়।

ধাতুৰ লগত যি প্ৰত্যয় যোগ হয়, তাক কৃৎ প্ৰত্যয় বোলে। শব্দৰ লগত যি প্ৰত্যয় যোগ হয়, তাক তদ্ধিত প্ৰত্যয় বোলে।

অসমীয়া কৃৎপ্ৰত্যয়

ওঁতা (পুংলিঙ্গত) খা + ওঁতা = খাওঁতা। যো + ওঁতা = যোঁতা।

কৰ্ + ওঁতা = কৰোঁতা। বা + ওঁতা = বাওঁতা।

অঁতী (স্ত্ৰীলিঙ্গত) খা + অঁতী = খাৱঁতী, খাঁতী। যো + অঁতী = যোৱঁতী।

কৰ্ + অঁতী = কৰঁতী। শো + অঁতী = শোৱঁতী।

আ— কৰ্ + আ = কৰা। ফাল্ + আ = ফলা।
হাঁহ + আ = হঁহা। খা + আ = খোৱা।
যা + আ = যোৱা। দি + আ = দিয়া।

ই— উঠ্ + ই = উঠি। কৰ্ + ই = কৰি।
খা + ই = খাই। শো + ই = শুই।
ল + ই = লৈ। যা + ই = গৈ।

অন— খা + অন = খাৱন। বান্ধ্ + অন = বান্ধন।
ফুৰ্ + অন = ফুৰণ। উৰ্ + অন = উৰণ।

অনি— বুজ্ + অনি = বুজনি। বান্ধ্ + অনি = বান্ধনি।
নাট্ + অনি = নাটনি। জিৰ্ + অনি = জিৰণি।

অনী— লিখ্ + অনী = লিখনী। নাচ + অনী = নাচনী।
বাঢ + অনা = বাঢনী। ঢাক্ + অনী = ঢাকনী।
জান্ + অনী = জাননী। চাল্ + অনী = চালনী।

অসমীয়া কৃৎ প্ৰত্যয়

আক— যুঁজ + আক = যুঁজাক
শিক্ + আক = শিকাক

অনিয়াৰ— দেখ + অনিয়াৰ = দেখনিয়াৰ
নাচ্ + অনিয়াৰ = নাচনিয়াৰ

অবীয়া— খা + অবীয়া = খাৱবীয়া, খাউবীয়া।
পলা + অবীয়া = পলবীয়া

অবী— দি + অবী = দেৱবী, দেউবী

অতি— খজুৱা + অতি = খজুৱতি

অতী—	ক্ষীব্ + অতী = ক্ষীবতী
অতীয়া—	সাঁচ + অতীয়া = সাঁচতীয়া
অনীয়া—	মাগ + অনীয়া = মগনীয়া
ঈয়া—	বথ + ঈয়া = বথীয়া
অন্ত—	চল্ + অন্ত = চলন্ত
	জ্বল্ + অন্ত = জ্বলন্ত
উবা—	কান্দ্ + উবা = কান্দুবা
	হাগ্ + উবা = হাগুবা
ওঁতে—	থাক্ + ওঁতে = থাকোঁতে
	খা + ওঁতে = খাওঁতে
ইলে—	আহ্ + ইলে = আহিলে,
	যা + ইলে = গলে
	খা + ইলে = খালে
	পঢ্ + ইলে = পঢ়িলে

সংস্কৃত কৃৎ প্ৰত্যয়

গম্ + ক্তিন্ = গতি, গম্ + অনট্ = গমন, লিখ্ + ক্ত = লিখিত।

কৃ + তব্য = কর্ত্তব্য, দা + তব্য = দাতব্য, ভুজ্ + অনীয় = ভোজনীয়।

দা + তৃন্ = দাতা, সহ + ইষ্ণু = সহিষ্ণু, বৃৎ + শানচ্ = বর্ত্তমান।

শুচ্ + ঘঞ্ = শোক, ভূ + ঘঞ্ = ভাব, লভ্ + ঘঞ্ = লাভ।

সহ্ + যৎ = সহ্য, কৃ + ণ্যৎ = কার্য্য, ভৃ + ক্যপ্ = ভৃত্য।

পঠ্ + ণক্ = পাঠক, মদ্ + ক্ত = মত্ত, কৃ + তৃচ্ = কর্ত্তা।

ওঁতে, ইলে, ই—প্ৰত্যয়ৰ যোগে অসমাপিকা ক্ৰিয়া বনা হয়।

অসমীয়া তদ্ধিত প্ৰত্যয়

ই—ব্যৱসায় অৰ্থে—	ডাক্তৰ + ই = ডাক্তৰি
ঈ— „ „	জমিদাৰ + ঈ = জমিদাৰী
প্ৰস্তুত কৰা „	কপাহ + ঈ = কপাহী
জন্মা „	বিহাৰ + ঈ = বিহাৰী
ঈয়া— ব্যৱসায় „	ঢোল + ঈয়া = ঢুলীয়া
আছে „	ৰোগ + ঈয়া = ৰুগীয়া
	পানী + ঈয়া = পনীয়া
	সমান + ঈয়া = সমনীয়া
উৱা—আছে „	সাৰ + উৱা = সাৰুৱা
	ঘৰ + উৱা = ঘৰুৱা
	ধাৰ + উৱা = ধৰুৱা
আল— „ „	তেজ + আল = তেজাল
ইয়াল— „ „	মৰম + ইয়াল = মৰমিয়াল
আলু— „ „	দয়া + আলু = দয়ালু
উৱাল—„ „	ভিতৰ + উৱাল = ভিতৰুৱাল
ওৱাল—„ „	সোণ + ওৱাল = সোণোৱাল
অক— „ „	খেতি + অক = খেতিয়ক
উৰৈ— „ „	মাছ + উৰৈ = মাছুৰৈ
অলীয়া—বাস কৰা	গাঁও + অলীয়া = গাঁৱলীয়া
অতীয়া—উৎপত্তি „	আগ + অতীয়া = আগতীয়া
	শেষ + অতীয়া = শেহতীয়া

চীয়া— পোহা অৰ্থে ঘৰ + চীয়া = ঘৰচীয়া

অৰীয়া—চলোৱা „ নাও + অৰীয়া = নাৱৰীয়া

আলি—গুণ বুজোৱা „ দুষ্ট + আলি = দুষ্টালি

চতুৰ + আলি = চতুৰালি

আমি—ভাৱাৰ্থে পাতল + আমি = পাতলামি

অনি—জুৰি থকা „ বন + অনি = বননি

ধান + অনি = ধাননি

তলী—বোৱা „ শাক + তলী = শাকতলী

কি কী—পাৰ্গত „ মেল + কি = মেলকি

কথা + কী = কথকী

খানা—কাৰ্য্যস্থান „ ডাক্তৰ + খানা = ডাক্তৰখানা

সংস্কৃত তদ্ধিত প্ৰত্যয়

ধন + ইন = ধনী, সুখ + ইন = সুখী, মেধা + বিন্ = মেধাৱী, গুৰু + ত্ব = গুৰুত্ব, লঘু + তল্ = লঘুতা, তৎ + ময়ট্ = তন্ময়, দেশ + ঈয় = দেশীয়, গুৰু + ইমন্ = গৰিমা, বুদ্ধি + মতুপ = বুদ্ধিমান, জ্ঞান + বতুপ্ = জ্ঞানবান, গুৰু + তৰ = গুৰুতৰ, সূক্ষ্ম + তম = সূক্ষ্মতম, গুৰু + ঈষ্ঠ = গৰিষ্ঠ, কলঙ্ক + ইত = কলঙ্কিত।

অনুশীলন

(১) তলৰ শব্দবোৰৰ প্ৰত্যয় নিৰ্ণয় কৰা :—

কৰোঁতা, পঢ়া, দিয়া, ভ্ৰমন, জাননী, শিকাৰু, থাকোতে, দাতব্য, মনন, পাঠক, কৃত্য, কপাহী, বিলাতী, ৰখৱা ফুলনি, ধকৱা কথকী, বাটুৱৈ, দুলীয়া, দুখী, সূক্ষ্মতৰ, লঘিষ্ঠ, দেশীয়।

(২) কৃৎ আৰু তদ্ধিত প্ৰত্যয় কাক বোলে উদাহৰণ দি বুজাই লিখা।

কথোপ-কথন (Conversation)

প্ৰশ্ন	উত্তৰ
(ক)	
তুমি ক'ত থাকা ?	মই কৰিমগঞ্জত থাকোঁ।
তুমি কোন স্কুলত পঢ়া ?	মই পাব্লিক স্কুলত পঢ়োঁ।
তুমি কোন শ্ৰেণীত পঢ়িছা ?	মই চতুৰ্থমান শ্ৰেণীত পঢ়িছোঁ।
তোমালোকৰ শ্ৰেণীত কেইজন ছাত্ৰ ?	আমাৰ শ্ৰেণীত ৩৫ জন ছাত্ৰ।
ইংৰাজী কোনে শিকায় ?	প্ৰধান শিক্ষকে ইংৰাজী শিকায়।
(খ)	
তোমাৰ ঘৰ কোন গাঁওত ?	মোৰ ঘৰ বামুন্দী গাঁৱত।
ঘৰৰপৰা স্কুল কিমান দূৰৈত ?	ঘৰৰপৰা স্কুল এমাইল দূৰৈত।
তোমালোকৰ ঘৰত কোন কোন আছে ?	আমাৰ ঘৰত মা-পিতা, ভাই-ভনী আছে।
তোমালোক ভাই-ককাই কেইজন ?	আমি ভাই-ককাই তিনিজন।
তোমাৰ ভনীয়েৰা কেইজনী ?	মোৰ ভনী চাৰি জনী।
তোমাৰ দেউতাৰাই কি কৰে ?	মোৰ দেউতাই খেতি কৰে।
(গ)	
ভাইটি ! কলৈ যোৱা ?	মই খেলিবলৈ যাওঁ।
ভনীটি ! কি কৰিছা ?	মই ৰুমাল চিলাই কৰিছোঁ।
তুমি আবেলি যাবা নে ?	ভাল, মই আবেলি যাম।
ৰমেন ! তুমি পদ্য মুখস্থ কৰিছা নে ?	হয়, মই পদ্য মুখস্থ কৰিছোঁ।
মহাশয় ! আমাৰ ঘৰলৈ যাব নেকি ?	বাৰু, তোমালোকৰ ঘৰলৈ যাম।

(ঘ)

আপুনি ক'ৰপৰা আহিল ?	মই শিলচৰৰ পৰা আহিলোঁ।
আপুনি কলৈ যায় ?	মই শ্বিলঙলৈ যাওঁ।
আপুনি তাৰপৰা কেতিয়া উভতিব ?	মই পৰহিলৈ উভতিম।

(ঙ)

তেখেত ক'ৰ পৰা আহিছে ?	তেখেত নগাঁৱৰ পৰা আহিছে।
তেখেতে ঘৰ ক'ত লৈছে ?	তেখেতে ষ্টেচন ৰ'ডত ঘৰ লৈছে।
তেখেত তোমাৰ শিক্ষক নে ?	হয়, তেখেত মোৰ শিক্ষক।
তেখেত তোমাৰ ভিনীহি নে ?	নহয়, তেখেত মোৰ আতাহে।
তেখেতক কি লাগে ?	তেখেতক দুখন পোষ্ট-কাৰ্ড লাগে।

(চ)

*হেৰ! তই কলৈ যাৱ ?	মই দোকানলৈ যাওঁ।
হেৰা! তুমি কি কৰিছা ?	মই মজিয়াখন সাৰিছোঁ।
হেৰি। আপুনি কলৈ গৈছিল ?	মই ডাক-ঘৰলৈ গৈছিলোঁ।

*তুচ্ছাৰ্থে—হেৰ (he-rau) মান্যাৰ্থে—হেৰা (he-ra), বিশেষ মান্যাৰ্থে বা সম্মানাৰ্থে—হেৰি (he-ri) সম্বোধনাৰ্থক বাক্য প্ৰয়োগ হয়।

প্ৰধান শিক্ষকলৈ দিয়া দৰ্খাস্ত—

মাননীয়

কৰিমগঞ্জ উচ্চ ইংৰাজী স্কুলৰ প্ৰধান শিক্ষক

মহোদয়ৰ সমীপেষু,

চতুৰ্থমান শ্ৰেণীৰ শিক্ষক মহাশয়ৰ জৰিয়তে,

মহাশয়,

মোৰ বিনীত নিবেদন এই যে আজি স্কুললৈ আহিবৰে পৰা মোৰ মূৰটো কামুৰিছে। অনুগ্ৰহ কৰি, চতুৰ্থ পিৰিয়দৰ পাচত ঘৰলৈ যাবৰ কাৰণে মোক অনুমতি দিয়ে যেন। এয়ে মহোদয়ৰ ওচৰত মোৰ সৰল প্ৰাৰ্থনা। ইতি—

কৰিমগঞ্জ,
২৩।৩।৫৯ ইং

আপোনাৰ একান্ত বাধ্য ছাত্ৰ,
শ্ৰীকাজলচন্দ্ৰ দাস
চতুৰ্থমান শ্ৰেণী (ক শাখা)।

বন্ধুলৈ দিয়া চিঠি—

গাঁও । পোঃ ৰৰকুবিহা,
জিলা—কামৰূপ (অসম)
১৭।৪।৫৯ ইং

প্ৰিয় গোস্বামী,

আপোনাৰ চিঠিখন পাই আনন্দ পাইছোঁ। মোৰ শাৰীৰিক ভাল, আশাকৰোঁ আপোনাৰো ভাল। বিহু-উৎসৱৰ খেল-ধেমালিত ব্যস্ত আছোঁ।

গৰম-বন্ধত আমাৰ ঘৰলৈ আহিবচোন। পাৰিলে, আপোনাৰ লগতে মইয়ো যাম। ছয়-মাহিলি পৰীক্ষাৰ খবৰ ওলালে মোক জনাব। অকণিহঁতক মোৰ মৰম জনাইছোঁ। আপোনাৰ মা-দেউতাক মোৰ প্ৰণাম জনাব। চিঠিৰ উত্তৰ পাবলৈ আশাকৰি বলোঁ। মৰম-শ্ৰদ্ধা জনাইছোঁ। ইতি—

আপোনাৰ
শ্ৰীপ্ৰদীপকুমাৰ বায়মেধি।

প্ৰিয়বৰ
শ্ৰীপ্ৰভাস চন্দ্ৰ গোস্বামী
শান্তিপুৰ, গুৱাহাটী।
পোঃ গুৱাহাটী
জিঃ কামৰূপ (অসম)

ৰচনা

বিহু

বিহু অসমীয়াৰ জাতীয় উৎসৱ। বিহু তিনিটা—কঙালি, ভোগালি আৰু ৰঙালি বিহু। বিহুক দোমাহীও বোলে। ভোগালি আৰু ৰঙালি বিহুত বেচি আমোদ হয়। ৰঙালি বিহু-উৎসৱ সাত দিনলৈ চলে।

আহিনৰ সংক্ৰান্তিত হোৱা বিহুৰ নাম কঙালি বিহু বা কাতি বিহু। সেই দিনা হিন্দুসকলে গোঁসাই-ঘৰ, ভঁৰাল-ঘৰ আৰু চোতালৰ তুলসীৰ আগত চাকি-ধূপ লগাই নাম-প্ৰসঙ্গ কৰে। খেতিয়কসকলে ধাননি পথাৰত তুলসী কই তাৰ আগত চাকি জ্বলায় আৰু নৈবেদ্য দিয়ে। সেই সময়ত খোৱা বস্তুৰ অভাৱ থাকে বাবে কাতি বিহুক কঙালি বিহু বোলে।

পুহৰ সংক্ৰান্তিত যি বিহু হয় তাৰ নাম ভোগালি বিহু বা মাঘ বিহু। তেতিয়া খাদ্যবস্তু যথেষ্ট পৰিমাণে পোৱা যায়। ন-ধানৰ চিৰা-পিঠা বেচিকৈ খোৱা হয়। বিহুৰ কিছুদিন আগৰ পৰা লৰাবিলাকে পথাৰত মেজি সাজে। বিহুৰ আগদিনাক উৰুকা বোলে। সেই দিনা ৰাতি মেজি-সজা ঠাইত লৰাবিলাকে দলভাত খায়। বিহুৰ দিনা ৰাতিপুৱা মেজি আৰু ভেলাঘৰ পোৰে, তিল, মাহ, চাউল ছটিয়াই অগ্নিক সেৱা কৰে। কোনো কোনো ঠাইত লৰাবিলাকে কণী-খেল পাতে। এইদৰে ধেমালিৰ মাজেৰে বিহুৰ দিন কটায়।

চ'তৰ সংক্রান্তিত বঙালি বিহু হয়। তাৰ আন নাম বহাগ বিহু। সেই সময়ত বসন্তকাল পৰে। গছে নতুন পাত ধৰে, ফুল ফুলিবলৈ ধৰে। প্রাকৃতিক সৌন্দর্য্য বৃদ্ধি হয়। বহাগ বিহুত মানুহে গৰুক নৈ-বিলত গা ধুৱায়, গধূলি নতুন পঘাৰে বান্ধে। ছুপৰীয়া নাম-কীর্ত্তন কৰে আৰু চিৰা-পিঠা খায়। লৰাবিলাকে ঢোল, পেঁপা-তাল লৈ হুচৰি গাই ফুৰে। মানুহে নতুন কাপোৰ লয়। আনকি মিতিৰ-কুটুমক মাতি খুৱাই ন-কাপোৰ উপহাৰ দিয়াৰ নিয়ম প্রচলিত আছে। মুঠতে বিহুৰ সময়ত সকলো আনন্দত উত্রাৱল হৈ উঠে। অসমৰ গাভৰুৱে চেনেহৰ মুগাৰ মহুৰা আৰু মাকো এৰি থৈ বিহুৰ আয়োজন কৰে। সেই বিষয়ে এটা গীত আছে—

"অতিকৈ চেনেহৰ মুগাৰে মহুৰা
অতিকৈ চেনেহৰ মাকো,
তাতোকৈ চেনেহৰ বহাগৰ বিহুটি
নেপাতি কেনেকৈ থাকোঁ।"

চমু জীৱনী

মহাপুৰুষ শ্রীশঙ্কৰদেৱ

১৩৭১ শকত নগাঁও জিলাৰ বৰদোৱাত শ্রীশঙ্কৰদেৱৰ জন্ম হয়। তেওঁৰ পিতাকৰ নাম কুসুম্বৰ ভূঞা আৰু মাকৰ নাম সত্য-সন্ধা। তেওঁ দেখিবলৈ বৰ ধুনীয়া আছিল। ভাদ-মহীয়া ব্রহ্মপুত্র সাঁতুৰি পাৰ হৈছিল। অসমীয়া ভাষাত বহুতো পুথি ৰচনা কৰিছিল। তেওঁৱেই

প্ৰথমে অঙ্কীয়া-নাট ৰচনা কৰে। তেওঁৰ ৰচিত পুথিৰ ভিতৰত কীৰ্ত্তন, দশম, ৰুক্মিণী হৰণ কাব্য, ভক্তি-ৰত্নাকৰ, হৰিচন্দ্ৰ উপখ্যান, বলিছলন, বৰগীত, অঙ্কীয়া-নাট অসমীয়া ভাষাৰ মূল্যবান গ্ৰন্থ। শ্ৰীশঙ্কৰদেৱ গীত, নাচ আৰু চিত্ৰ-বিদ্যাত নিপুণ আছিল। এইজনা মহাপুৰুষে ভাগৱতী বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰিছিল। অসমৰ বেলগুৰি, বৰদোৱা, কোচবিহাৰ প্ৰভৃতি ঠাইত সত্ৰ পাতি ধৰ্ম্ম প্ৰচাৰ কাৰ্য্য চলায়। তেওঁৰ প্ৰধান শিষ্য আছিল শ্ৰীমাধৱদেৱ। ১৪৯০ শকত প্ৰায় ছকুৰি বছৰ বয়সত শ্ৰীশঙ্কৰদেৱে ইহলীলা সম্বৰণ কৰে।

—বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ—

বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ কলিকতাৰ জোৰাসাঁকোত ১৮৬১ চনৰ ৬ মে'ত ওপজে। তেওঁৰ দেউতাকৰ নাম মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰ আৰু মাকৰ নাম সাৰদা দেৱী। ঘৰতে বিজ্ঞান, বুৰঞ্জী, কাব্য, অঙ্ক, ইংৰাজী আৰু আন আন বিষয় শিকে। তেওঁ বৰ মেধাৱী ছাত্ৰ আছিল। সৰুৰে পৰা কবিতা, প্ৰবন্ধ, গল্প লিখে। তেওঁ এজন কবি, সাহিত্যিক, শিল্পী, আৰু গায়ক আছিল। 'গীতাঞ্জলি' নামৰ কবিতা পুথি লিখি 'নবেল প্ৰাইজ' পাইছিল। ল'ৰা-ছোৱালীৰ সুশিক্ষাৰ বাবে ১৯০১ চনত 'শান্তি নিকেতন' স্থাপন কৰে। তেওঁ এজন দেশপ্ৰেমিকো আছিল। ভাৰতৰ জাতীয়-সঙ্গীত—"জন গণ মন অধিনায়ক জয়হে, ভাৰত ভাগ্য বিধাতা" তেৰেঁই ৰচনা কৰে। ১৯৪১ চনৰ ৭ আগষ্টত স্বৰ্গী হয়।

—শ্ৰীজৱহৰলাল নেহৰু—

১৮৮৯ চনৰ ১৪ নৱেম্বৰত এলাহাবাদত জৱহৰলাল নেহৰুৰ জন্ম হয়। তেওঁৰ পিতাকৰ নাম মতিলাল নেহৰু আৰু মাকৰ নাম স্বৰূপৰাণী। বিদ্যা শিক্ষাৰ প্ৰতি তেওঁৰ বৰ ধাউতি। সৰুতে মাকৰ পৰা ৰামায়ণ আৰু মহাভাৰতৰ কাহিনী শুনিছিল। তেওঁ বিলাতত উচ্চ শিক্ষা লাভ কৰে। মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা ভাৰতৰ স্বাধীনতা আন্দোলনত যোগ দিয়ে। কেবাবাৰো জেললৈ গৈছিল। তেওঁ এজন দেশপ্ৰেমিক, কৰ্ম্মী, সাহসী আৰু বিদ্বান লোক। নেহৰু বৰ্ত্তমান স্বাধীন ভাৰতৰ প্ৰধান মন্ত্ৰী। তেওঁ অকণিহঁতক বৰ মৰম কৰে।

পৰিশিষ্ট

সম্বন্ধবাচক* শব্দৰ লগত ব্যৱহৃত প্ৰত্যয়—ৰ, ৰা, এৰ, এৰা, এক।

মোৰ—ভাই, ভনী, আই, মা, পিতা, ককা দাদা, পুত্ৰ, বৌ।

তোমাৰ—ভায়েৰা, ভনীয়েৰা, আয়েৰা, মাৰা, পিতাৰা, ককায়েৰা, দদায়েৰা, পুতেৰা, বৌৱেৰা।

আপোনাৰ, তেখেতৰ, তেওঁৰ, তাইৰ, তাৰ—ভায়েক, ভনীয়েক, আয়েক, মাক, পিতাক, ককায়েক, দদায়েক, পুতেক, বৌৱেক।

বাৰ—ৰবিবাৰ (দেওবাৰ), সোমবাৰ, মঙ্গলবাৰ, বুধবাৰ, বৃহস্পতিবাৰ, শুক্ৰবাৰ (শুকুৰবাৰ), শনিবাৰ।

মাহ—বহাগ, জেঠ, আহাৰ, শাওণ, ভাদ, আহিন, কাতি, আঘোণ, পুহ, মাঘ, ফাগুন, চ'ত।

সংখ্যা—এক, দুই, তিনি, চাৰি, পাঁচ, ছয়, সাত, আঠ, ন, দহ ইত্যাদি।

---

*সম্বন্ধবাচক শব্দের ব্যবহারে দুই ভাষার মধ্যে পার্থক্য দেখা যায়। যথা—

আমার ভাই—মোৰ ভাই।

তোমার ভাই—তোমাৰ ভায়েৰা।

আপনার ভাই—আপোনাৰ ভায়েক।

তাহার ভাই—তাৰ ভায়েক।

তাঁহার ভাই—তেখেতৰ ভায়েক।

বন্ধুর ভাই—বন্ধুৰ ভায়েক।

সমাপ্ত